www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সাহসেৰে যুক্তি প্ৰদৰ্শনৰ ওপৰতহে মই ভৱিষ্যত দেখিবলৈ পাওঁ। যুক্তি অবিহনে সাৰ্থকতা কেনেকৈ আহিব ? - এফ. এল. লুকাচ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২২১ | বৃহস্পতিবাৰ | ৩০ অক্টোবৰ, ২০২৫ চন | ১১ কাতি, ১৯৪৭ শক | VOL - 6 | NO.- 221 | Thursday | 30th October, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

## কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেশ্যনলৈ ঘূৰাই দিব 'ৰৈ ৰৈ বিনালে'ৰ পৰা সংগ্ৰহ হোৱা কৰৰ ধন

# ৰাজ্যৰ বান ৰোধৰ বাবে ২,২০৫ কোটি টকা অনুমোদন

## ▪ বিটিচিৰ CEM আৰু ডেপুটী CEMক কেবিনেট মন্ত্ৰীৰ মৰ্যাদা ▪

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ অক্টোবৰ ঃ** অসম চৰকাৰৰ কেবিনেট বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে আয়োজিত সংবাদমেলত একাধিক জনমুখী সিদ্ধান্তৰ কথা প্ৰকাশ কৰিছে। বানপ্ৰতিৰোধৰ পৰা সাংস্কৃতিক সাহায্য লৈকে বিভিন্ন ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপৰ ঘোষণা কৰা হৈছে। বানপ্ৰতিৰোধৰ দিশত ডাঙৰ পদক্ষেপ হিচাপে এছিয়ান ডেভেলপমেণ্ট বেংক (ADB)ৰ ২২০৫ কোটি টকাৰ সাহায্যত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলত পৰা ভূমি উদ্ধাৰৰ লগতে বানপ্ৰতিৰোধী প্ৰকল্প নিৰ্মাণ কৰা ⏩ ৬ পৃষ্ঠাত



### চৰকাৰৰ ব্যৰ্থতাৰ তীব্ৰ সমালোচনা আপৰ

## অসম-নগালেণ্ড সীমান্তত নগাৰ হিংসা বৃদ্ধি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৯ অক্টোবৰ ঃ** উচ্ছেদৰ পিছত অসম-নগালেণ্ড সীমান্তৰ বিশেষকৈ গোলাঘাট জিলাৰ সৰুপথাৰৰ 'এ', 'বি' আৰু 'চি' চেক্টৰত নগালেণ্ডৰ ফালৰ পৰা অসমীয়া লোকৰ ওপৰত হোৱা হিংসাত্মক ঘটনাপ্ৰবাহৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰিছে আম আদমি পাৰ্টী (আপ) ⏩ ৬ পৃষ্ঠাত

### ইউপিপিএলৰ উত্তৰ-পূৰ্বাঞ্চল সম্প্ৰসাৰণৰ পৰিকল্পনা

## '২৬ নিৰ্বাচনত ২৭-২৮খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব ইউপিপিএলে



**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ২৯ অক্টোবৰ ঃ** বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল (বিটিচি)ৰ আঞ্চলিক শক্তি ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল)য়ে অসমৰ সীমা অতিক্ৰম কৰি উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যতো দলীয় ভিত্তি সম্প্ৰসাৰণৰ বৃহৎ পৰিকল্পনা গ্ৰহণ কৰিছে। মণিপুৰ, ⏩ ৬ পৃষ্ঠাত



### মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতেই শ্ৰীভূমি সদৰ থানাত গোচৰ

## শ্ৰীভূমি জিলা কংগ্ৰেছৰ বিৰুদ্ধে ৰাষ্ট্ৰদ্ৰোহৰ গোচৰ ৰুজুৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

### বাংলাদেশৰ জাতীয় সংগীত পৰিৱেশনক লৈ বিজেপিয়ে দিছিল এজাহাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, শ্ৰীভূমি, ২৯ অক্টোবৰ ঃ** কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰলৈ সন্মান জনাই দলীয় সভাত কবীন্দ্ৰ সংগীত গাই অসমত বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছে কংগ্ৰেছ দল। সভাত ⏩ ৬ পৃষ্ঠাত

## পাকিস্তানী আকাশপথ বন্ধৰ ফলত এয়াৰ ইণ্ডিয়াৰ ৪ হাজাৰ কোটি টকা লোকচান

**অনলাইন বাৰ্তা, অসম বাৰ্তা, ২৯ অক্টোবৰ ঃ** মে' মাহত সংঘটিত অপাৰেচন সিন্দুৰৰ পৰিপ্ৰেক্ষিতত ভাৰত আৰু পাকিস্তানে ইখনে সিখনৰ বাবে নিজৰ আকাশমাৰ্গ বন্ধ কৰি দিয়াৰ ফলত ভাৰতীয় বিমান সংস্থাসমূহে গুৰুতৰ সমস্যাৰ সন্মুখীন হৈছে। ⏩ ৬ পৃষ্ঠাত

### আজিৰ কলম

## জুবিনৰ মৃত্যুত ৰাজ্যৰ ৰাজনীতিত পট পৰিৱৰ্তনৰ এক অশনি সংকেত



শৰৎ চন্দ্ৰ চিৰিংফুকন

জুবিন গাৰ্গৰ জীৱন্ত কালত মানুহজনৰ অন্তৰে বাহিৰে যে এক ঐশ্বৰিক শক্তিৰ মহানুভৱতা বিৰাজি আছিল এই কথাৰ সম্ভেদ মানুহে পোৱাই নাছিল। ⏩ ৬ পৃষ্ঠাত

### বিৰুদ্ধীয়া নিযুক্তি বাতিল কৰাৰ নিৰ্দেশ

## গুৱাহাটী উচ্চ ন্যায়ালয়ৰ APSC কেলেংকাৰী প্ৰসংগত ৰাজ্য চৰকাৰলৈ সতৰ্কবাণী



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৯ অক্টোবৰ ঃ** অসম প্ৰকৌশল সেৱা কমিছন (APSC)ৰ কেলেংকাৰী প্ৰসংগৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ ব্যক্তিৰ নিযুক্তি বাতিল নকৰাৰ বাবে গুৱাহাটী উচ্চ ⏩ ৬ পৃষ্ঠাত

### ▪ আত্মগোপন কৰি থকাৰ পৰাই বিকাশ অসমৰ পত্ৰ ▪

## পত্ৰযোগে নিজকে নিৰ্দোষী সজাবলৈ চেষ্টা বিকাশ অসমৰ

### নিজেই ধৰা দিয়াৰ প্ৰতিশ্ৰুতি, চৰকাৰৰ বিৰুদ্ধে অভিযোগ আৰু ধনদাবীৰ প্ৰত্যাহ্বান



**অসম বাৰ্তা, গুৱাহাটী, ২৯ অক্টোবৰ ঃ** বিগত কেইটামান দিনৰ পৰা সন্ধানহীন হৈ থকা বীৰ লাচিত সেনাৰ বহিস্কৃত নেতা বিকাশ অসমে অজ্ঞাত স্থানৰ পৰা এখন ৭ পৃষ্ঠাৰ দীঘলীয়া চিঠি লিখি ⏩ ৬ পৃষ্ঠাত



### 'সকলোৱে আশীৰ্বাদ কৰিব যাতে মানুহজন সোনকালে ভাল হৈ উঠে'; পত্নীৰ ফেচবুক পোষ্ট

## সংকটজনক অৱস্থাত চিকিৎসাধীন দীপক শৰ্মা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৯ অক্টোবৰ ঃ** যকৃত ৰোগত আক্ৰান্ত দীপক শৰ্মাৰ বৰ্তমান স্বাস্থ্যৰ অৱস্থা অতি সংকটজনক। উন্নত চিকিৎসাৰ বাবে ⏩ ৬ পৃষ্ঠাত

### নিজৰ ইচ্ছা অনুসৰি মহাবাহুত হ'ল মিলন

## ব্ৰহ্মপুত্ৰত বিসৰ্জন জুবিন গাৰ্গৰ অস্থি

### 'মই মৰিলে মোক ব্ৰহ্মপুত্ৰত উটুৱাই দিবা'



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ অক্টোবৰ ঃ** শুক্লা অষ্টমীৰ পুণ্য লগ্নত মহাবাহু ব্ৰহ্মপুত্ৰত বিসৰ্জন দিয়া হ'ল অসমীয়াৰ মৰমৰ পুত্ৰ, মহানায়ক জুবিন গাৰ্গৰ অস্থি আৰু চিতাভস্ম। ফাঁচীবজাৰৰ কাছমাৰী ঘাট আৰু ⏩ ৬ পৃষ্ঠাত

### ভূমি নিৰ্ধাৰণ আৰু পৰিকল্পনাৰ ওপৰত গুৰুত্ব

## জুবিনক্ষেত্ৰ নিৰ্মাণ কমিটীৰ দ্বিতীয়খন বৈঠক সম্পন্ন

**অসম বাৰ্তা, মহানগৰ, ২৯ অক্টোবৰ ঃ** বুধবাৰে আবেলি কলাক্ষেত্ৰৰ মিটিং হলত জুবিনক্ষেত্ৰ নিৰ্মাণ কমিটীৰ দ্বিতীয়খন বৈঠক অনুষ্ঠিত হয়। মহানায়ক জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গকে ধৰি কমিটীৰ সকলো সদস্য এই বৈঠকত উপস্থিত আছিল। বৈঠকৰ অন্তত গৰিমা গাৰ্গে সংবাদ ⏩ ৬ পৃষ্ঠাত

### হাৰিয়ানাৰ আম্বালাত থকা ভাৰতীয় বায়ুসেনা ঘাটিৰ পৰা উৰণ

### বায়ুসেনা ঘাটিটোত ৰাষ্ট্ৰপতিক আদৰণি জনায় বায়ুসেনাৰ মুৰব্বী চীফ মাৰ্শ্বাল অমৰপ্ৰীত সিঙে



## আজি ৰাফেল যুঁজাৰু বিমানত উৰণ সম্পন্ন ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৯ অক্টোবৰ ঃ** অপাৰেশ্যন সেন্দূৰৰ সময়ত পাকিস্তানে দাবী কৰিছিল যে, ভাৰতে এখন ৰাফেল যুদ্ধবিমান হেৰুৱাইছে আৰু পাইলট উইং কমাণ্ডাৰ শিৱাংগী সিংক বন্দী কৰিছে। কিন্তু ২৯ অক্টোবৰত আম্বালা এয়াৰবেছত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ সৈতে ৰাফেলত উৰি ⏩ ৬ পৃষ্ঠাত

## ভুৱা জাতি প্ৰমাণপত্ৰে চাকৰি লোৱা ৮ কৰ্মচাৰীৰ বৰ্খাস্তৰ দাবীত ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৯ অক্টোবৰ ঃ** অসমত ভুৱা অনুসূচিত জাতি (SC) প্ৰমাণপত্ৰ ব্যৱহাৰ কৰি চাকৰি লোৱাৰ অভিযোগ পুনৰ উত্থাপিত হৈছে। এই প্ৰসংগত অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে (এজেএছৱাইপি) ৮জন চৰকাৰী ⏩ ৬ পৃষ্ঠাত

### হাজাৰ কোটি টকাৰ প্ৰকল্প গৃহমন্ত্ৰীৰ

## সীতামাৰীত সীতা মাতাৰ মহামন্দিৰ নিৰ্মাণৰ পুনৰ ঘোষণা অমিত শ্বাহৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৯ অক্টোবৰ ঃ** অযোধ্যাত ৰাম মন্দিৰৰ দৰে বিহাৰৰ সীতামাৰীত সীতা মাতাৰ এক মহাগ্ৰন্থি মন্দিৰ নিৰ্মাণ কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী ⏩ ৬ পৃষ্ঠাত

## জনজাতিকৰণ আৰু স্বায়ত্তশাসনৰ দাবীত ধেমাজি কপালে চুতীয়াই


**ষ্টাফ ৰিপ'ৰ্টাৰ, ধেমাজি, ২৯ অক্টোবৰ ঃ** চুতীয়া সম্প্ৰদায়ক জনজাতিৰ মৰ্যাদা প্ৰদান আৰু স্বায়ত্তশাসনৰ দাবীত বুধবাৰে সন্ধিয়া ৬ বজাত ধেমাজি নগৰত এক বিশাল ⏩ ৬ পৃষ্ঠাত

### জিলাখনৰ বিভাগীয় মুৰব্বী বিষয়া-সকলৰ সৈতে বিস্তৃত পৰ্যালোচনা

## বিশ্বনাথত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী সুশ্ৰী শোভা কৰন্দলাজে

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৯ অক্টোবৰ ঃ** ভাৰত চৰকাৰৰ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ তথা শ্ৰম আৰু নিয়োগ বিভাগৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী সুশ্ৰী শোভা কৰন্দলাজে বুধবাৰে বিশ্বনাথ জিলাৰ জ্যেষ্ঠ বিষয়া বৰ্গৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বিশ্বনাথ জিলাৰ প্ৰায় পঁচিশটা বিভাগৰ জৰিয়তে ৰূপায়ণ ⏩ ৬ পৃষ্ঠাত





### অসমৰ মহিলা সমাজ শক্তিৰ অফুৰন্ত ভঁৰাল, মাথোঁ তেওঁলোকক আগবাঢ়ি যাবৰ বাবে পৰিয়াল, সমাজ আৰু চৰকাৰৰ সমৰ্থনৰ প্ৰয়োজন ঃ মুখ্যমন্ত্ৰী

# কলিয়াবৰ বিধানসভা সমষ্টিৰ সৰ্বমুঠ ৩২, ৪৮২ গৰাকী মহিলালৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ



**অসম বাৰ্তা, নগাঁও, ২৯ অক্টোবৰ ঃ** মহিলা সবলীকৰণৰ দিশত ৰাজ্যত সূচনা হোৱা ৰূপান্তৰকাৰী যাত্ৰা অব্যাহত ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত কলিয়াবৰ বিধানসভা সমষ্টিৰ সৰ্বমুঠ ৩২, ৪৮২ গৰাকী হিতাধিকাৰীলৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভকৰে। এই উপলক্ষে কলিয়াবৰৰ ডাঃ টি আও ষ্টেডিয়ামত আয়োজিত বিশাল জনসভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যত আজিৰ তাৰিখত প্ৰায় ৪ লাখ আত্মসহায়ক গোট আছে। কলিয়াবৰ সমষ্টিতো প্ৰায় চাৰি হাজাৰ আত্মসহায়ক গোট গঠন কৰা হৈছে। আত্মসহায়ক গোটসমূহক শক্তিশালী কৰিবলৈ ৰাজ্য চৰকাৰে পূৰ্বৰেপৰা বিভিন্ন ব্যৱস্থা হাতত লৈ অহাৰ কথা উল্লেখ কৰি তেওঁ কয় যে ৰিভলভিং ফাণ্ড, বেংক ঋণ, চিএলএফ, ভিঅ', জীৱিকা সখী, বেংক সখী আদি বিভিন্নধৰণৰ ব্যৱস্থাৰে এই গোটসমূহৰ সৈতে জড়িত মহিলাসকলক সহায়ৰ বাবে চৰকাৰে প্ৰচেষ্টা চলাই আহিছে। আত্মসহায়ক গোটসমূহ গঠন হোৱাৰে পৰা ৰাজ্যৰ মহিলাসকল আগবাঢ়ি আহিল আৰু ঘৰখন চলোৱা মহিলাসকলে আজি সমাজখন চলাবৰ বাবেও সামৰ্থ্য অৰ্জন কৰিলে। আত্মসহায়ক গোটৰ মহিলাসকলে বিগত ১২-১৩ বছৰে বেংকৰ পৰা প্ৰায় ২১ হাজাৰ কোটি টকা ঋণ গ্ৰহণ কৰিছে আৰু এই ঋণৰ ধন তেওঁলোকে বেংকত নিয়মীয়াকৈ ওভতাই দি আহিছে। তেওঁ কয় যে ৰাজ্যৰ ৪ লাখ আত্মসহায়ক গোটৰ লগত জড়িত ৪০ লাখ মহিলাৰ এই সংগঠিত শক্তিক সামাজিকভাৱে আৰু ব্যক্তিগতভাৱে দুয়োটা পৰ্যায়তে সহায়ৰ হাত আগবঢ়াই এখন আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান আৰম্ভ কৰা হৈছে। দেশত ৩ কোটি মহিলাক লাখপতি বাইদেউ গঢ়াৰ বাবে থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন অনুসৰণ কৰি ৰাজ্য চৰকাৰেও ৰাজ্যৰ অন্ততঃ ৩০ লাখ মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়াৰ সংকল্প লৈছে আৰু এই আঁচনিৰ আঁৰৰ উদ্দেশ্য এইটোৱেই বুলি তেওঁ মন্তব্য কৰে। আত্মসহায়ক গোটসমূহৰ সৈতে জড়িত হৈ নিজৰ পৰিয়ালৰ লগতে সামগ্ৰিকভাৱে ৰাজ্যখনৰ অৰ্থনীতিলৈ মহিলা সমাজে কিদৰে বৰঙনি আগবঢ়াইছে সেই দিশতো সভাত মুখ্যমন্ত্ৰীয়ে উদাহৰণ দাঙি ধৰে। কলিয়াবৰ সমষ্টিৰ লাখপতি বাইদেউৰ সফলতাৰ কাহিনী উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমষ্টিটোৰ অপৰাজিতা ভি 'অ' আৰু অগ্নিগড় চি এল এফৰ অধীনস্থ মিলিজুলি আত্মসহায়ক গোটৰ সদস্যা মামনি ভূঞা চাংমাই-এ ফাষ্টফুডৰ প্ৰতিষ্ঠান স্থাপন কৰি আত্মনিয়োজনৰ এক অনন্য উদাহৰণ দাঙি ধৰিছে। আত্মসহায়ক গোটৰ ৭৫ হাজাৰ টকাৰ ঋণৰ লগতে সামূহিক বিনিয়োগ পুঁজি আৰু ৰাজ্যিক জীৱিকা মিছনৰ সাহায্যৰে ব্যৱসায়ৰ সম্প্ৰসাৰণ ঘটাই তেওঁ নিজৰ প্ৰতিষ্ঠানত প্ৰস্তুত কৰা চাউমিন, বোল, ম'ম', পকৰা আৰু চাহৰ সৈতে খোৱা আন জলপানজাতীয় খাদ্যৰ ব্যৱসায় কৰি প্ৰতি মাহে প্ৰায় ৪৫ হাজাৰ টকাকৈ অৰ্থাৎ বাৰ্ষিক ৫.৪০ লাখ টকা আয় কৰিবলৈ সক্ষম হৈছে। সেইদৰে বিষ্ণুপ্ৰিয়া ভি'অ' আৰু অগ্নিগড় চি এল এফৰ অধীনস্থ কল্যাণী আত্মসহায়ক গোটৰ সদস্যা বিবি বসুমতাৰীয়ে গাহৰি পালনত আত্মনিয়োগ কৰি নিজকে আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ সক্ষম হৈছে। বিবি বসুমতাৰীয়ে আত্মসহায়ক গোটৰ ৫০ হাজাৰ টকাৰ ঋণৰ লগতে সামূহিক বিনিয়োগ পুঁজি আৰু ৰাজ্যিক জীৱিকা মিছনৰ সাহায্যৰে ব্যৱসায়ৰ সম্প্ৰসাৰণ ঘটাই সম্প্ৰতি প্ৰতিমাহে ১২ হাজাৰ টকাকৈ অৰ্থাৎ বাৰ্ষিক প্ৰায় ১.৪৪ লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। তেওঁ কয় যে কলিয়াবৰ সমষ্টিত এনে উদাহৰণ বহুত আছে। এওঁলোকৰ দৰেই আজি ৰাজ্যৰ ৮ লাখৰো অধিক মহিলা লাখপতি বাইদেউ হ'বলৈ সক্ষম হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে এইসকল উদ্যমী মহিলাৰ সাফল্যই প্ৰমাণ কৰিছে যে আত্মসহায়ক গোটৰ সহায় আৰু প্ৰশিক্ষণৰ সঠিক ব্যৱহাৰেৰে গ্ৰামাঞ্চলৰ মহিলাসকলে স্ব-নিৰ্ভৰশীল হৈ সমাজ আৰু অৰ্থনীতি দুয়োটাতে গৌৰৱজনক স্থান লাভ কৰিব পাৰে। মহামানৱ মহাত্মা গান্ধীয়ে এবাৰ অসমলৈ আহি 'অসমৰ মহিলাই কাপোৰত সপোন ব'ব জানে' বুলি কৰা মন্তব্যৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ মহিলা সমাজ শক্তিৰ অফুৰন্ত ভঁৰাল, মাথোঁ তেওঁলোকক আগবাঢ়ি যাবৰ বাবে পৰিয়াল, সমাজ আৰু চৰকাৰৰ সমৰ্থনৰ প্ৰয়োজন। মহিলা উদ্যমিতা পুঁজিৰ বিষয়ে উপস্থিত মহিলাসকলক অৱগত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উদ্যমিতা পুঁজি হিচাপে লাভ কৰা ১০ হাজাৰ টকাৰ এই প্ৰথম কিস্তিৰ ধন যদি মহিলাসকলে নিজৰ আত্মসহায়ক গোটত জমা কৰে তেনেহ'লে ১ লাখ টকাৰ এটা পুঁজি গঠন হ'ব। এই পুঁজিৰে তেওঁলোকে সমূহীয়াভাৱে কোনো ব্যৱসায় আৰম্ভ কৰিব পাৰে। নতুবা তেওঁলোকে নিজস্বভাৱেও কোনো ব্যৱসায় আৰম্ভ কৰিব পাৰে, নাইবা পৰিয়ালৰ পূৰ্বতে থকা ব্যৱসায়ৰ সম্প্ৰসাৰণৰ কামতো এই পুঁজি ব্যৱহাৰ কৰিব পাৰিব। ছমাহমানৰ পাছত চৰকাৰে এই পুঁজিৰ ব্যৱহাৰৰ মূল্যায়ণ কৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে মহিলাসকলে প্ৰাৰম্ভিক পুঁজি হিচাপে লাভ কৰা এই ১০ হাজাৰ টকা সদ্ ব্যৱহাৰ কৰিলে পৰৱৰ্তী পৰ্যায়ত ক্ৰমে ২৫ হাজাৰ টকা আৰু ৫০ হাজাৰ টকা লাভ কৰিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে আৰম্ভ কৰা নিযুত মইনা আঁচনিৰ সুফলস্বৰূপে বিগত বৰ্ষত প্ৰথম বাৰ্ষিকত পঢ়া কোনো এগৰাকী ছাত্ৰীয়ে কলেজ এৰা নাই আৰু যোৱাবাৰৰ তুলনাত এইবাৰ ৩০ হাজাৰ অধিক ছাত্ৰীয়ে নামভৰ্তি কৰিছে। একেদৰে মহিলা উদ্যমিতা আঁচনিৰ হিতাধিকাৰী মহিলাসকলেও যাতে আঁচনিৰ পুঁজিৰ সদ্ব্যৱহাৰ কৰে, সেইক্ষেত্ৰত সচেতন হ'বলৈ তেওঁ সকলোকে আহ্বান জনায়। তেওঁ কয় যে মহিলা উদ্যমিতা আঁচনি কেৱল এখন গতানুগতিক আঁচনি নহয়, ইয়াৰ লগত সামাজিক, অৰ্থনৈতিক আৰু নাৰীৰ সবলীকৰণৰ বাৰ্তাও নিহিত হৈ আছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে ৰাজ্যৰ দুখীয়া-দৰিদ্ৰ জনসাধাৰণক সহায় কৰাৰ উদ্দেশ্যে আৰম্ভকৰা অৰুণোদয় আঁচনিৰ পুঁজি ক্ৰমাগতভাৱে বৃদ্ধি কৰি অনা হৈছে আৰু অহা বছৰৰ পহিলা জানুৱাৰীৰ পৰা অৰুণোদয় হিতাধিকাৰীয়ে বন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয়ৰ বাবেও ২৫০ টকাকৈ ৰাজসাহায্য লাভকৰিব। কলিয়াবৰ সমষ্টিৰ ৩০, ০০০ পৰিয়ালে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিছে বুলি উল্লেখ কৰি এতিয়াও অৰুণোদয় সুবিধা লাভ নকৰা সমষ্টিটোৰ যোগ্য পৰিয়ালসমূহক সামৰি লোৱাৰ বাবে অতিৰিক্ত ৩০০০টা পৰিয়ালক অনুমোদন জনোৱাৰ কথা তেওঁ আজিৰ সভাতে ঘোষণা কৰে। ৰেচন কাৰ্ড থকা পৰিয়ালসমূহে ৫ লাখ টকালৈকে বিনামূলীয়া স্বাস্থ্য সেৱাৰ উদ্দেশ্যে আয়ুষ্মান ভাৰত আৰু আয়ুষ্মান অসম আঁচনি লাভৰ কথা উল্লেখ কৰি তেওঁ কয় যে নৱেম্বৰ মাহৰ পৰা ৰেচন কাৰ্ড থকা পৰিয়ালসমূহে চেনি, দাইল, নিমখ বজাৰতকৈ কম নিৰিখত লাভ কৰিবলৈ আৰম্ভ কৰিব। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ৰাজ্যৰ মহিলাসমাজৰ জীৱনলৈ পৰিৱৰ্তন অনাৰ দিশত কাম কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে বাল্য বিবাহৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ ফলত ৰাজ্যত বাল্য বিবাহ প্ৰায় বন্ধ হোৱাৰ পথত। মুখ্যমন্ত্ৰীয়ে সদৰী কৰে যে ৰাজ্য চৰকাৰে মহিলা সমাজৰ বিৰুদ্ধে হোৱা অপৰাধ নিয়ন্ত্ৰণৰ দিশত বিগত সময়ছোৱাত গ্ৰহণ কৰা কঠোৰ পদক্ষেপৰ বাবে ৰাজ্যত ধৰ্ষণ, শ্লীলতা হানি, যৌতুক সম্বন্ধীয় ঘটনা আদি দ্ৰুতগতিত হ্ৰাস পাইছে। এইবাৰ চৰকাৰে বহু বিবাহ ৰোধৰ অৰ্থেও অসম বিধানসভাত আইন প্ৰণয়নৰ দিশত অগ্ৰসৰ হৈছে। অসম বিধানসভাৰ সমাগত নৱেম্বৰ মাহত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনত এই সম্বন্ধীয় বিধেয়ক উত্থাপন কৰা হ'ব বুলি তেওঁ কয়। কলিয়াবৰ সমষ্টিৰ উন্নয়নৰ বাবে বিগত সময়ছোৱাত ৰাজ্য চৰকাৰে হাতত লোৱা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰি তেওঁ কয় যে কলিয়াবৰ সমজিলা গঠন, আইন মহাবিদ্যালয়, কাজিৰঙাৰ ওপৰত নতুন এলিভেটেড কৰিডৰকে ধৰি বিভিন্ন পদক্ষেপে কলিয়াবৰক উজলাই তুলিছে। ডাঃ টি আও ষ্টেডিয়ামত নতুনকৈ ইনডোৰ ষ্টেডিয়াম নিৰ্মাণৰ কাম আৰম্ভ হৈছে। সমষ্টিটোৰ চাহ বাগিচাৰ ৰাইজক মাটিৰ অধিকাৰ প্ৰদানৰ বাবেও চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। কলিয়াবৰত এখন নতুন বিশ্ববিদ্যালয় স্থাপনৰ বাবেও ৰাজ্য চৰকাৰৰ পৰিকল্পনা আছে বুলি তেওঁ সদৰী কৰে। এই সভাত অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী তথা স্থানীয় বিধায়ক কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, দিপ্লুৰঞ্জন শৰ্মা, শশীকান্ত দাস, নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি হাজৰিকা প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অভিযান সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈকে ধৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ তথা জিলা প্ৰশাসনৰ বিষয়ববীয়াসকল আৰু হিতাধিকাৰী মহিলাসকল উপস্থিত থাকে।

## আগডলা চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তীৰ সামৰণী অনুষ্ঠানত উপাচাৰ্য ড° হিতেশ ডেকা

# নৈতিকতাৰ যাত্ৰা ঘৰখনৰ পৰাই আৰম্ভ হয়

**অসম বাৰ্তা, কমলপুৰ, ২৯ অক্টোবৰ ঃ** 'কথা কোৱা, গান শুনাৰ আজি পৰিৱেশ নাই, আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গক হেৰুৱাই আমি বৰ দুখিত। কেইজনমানৰ কাণ্ডজ্ঞানহীনতাৰ বাবে আমি হেৰুৱাবলগা হলোঁ আমাৰ মৰমৰ জুবিন গাৰ্গক। আজি যে আমি সকলোৱে দুখত ম্ৰিয়মাণ হৈ আছোঁ তাৰ কাৰণ আমাৰ আকাশ-বতাহ, জলবায়ু সকলোকে আঁজুৰি ল'ব পাৰিছিল জুবিন গাৰ্গৰ কৰ্মৰাজিয়ে। অকল পঢ়া-শুনাতে যে ভবিষ্যৎ নিহিত হৈ থাকে তেনে নহয়। পঢ়া-শুনা নকৰাকৈও নিজক প্ৰতিষ্ঠা কৰিবলৈ আজিকালি বহুতো পথ আছে।' - কামৰূপ জিলাৰ বাইহাটা চাৰিআলিস্থিত পি এম শ্ৰী আগডলা চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী অনুষ্ঠানৰ শেষৰ দিনাৰ কাৰ্যসূচীৰ মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি এইদৰে কয় নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই। ভাষণ প্ৰসংগত ডেকাই কয়- নৈতিকতাৰ যাত্ৰা ঘৰখনৰ পৰাই আৰম্ভ হয়, ছাত্ৰ-ছাত্ৰীয়ে ম'বাইল ব্যৱহাৰৰ পৰা বিৰত ৰখাৰ বাবে অভিভাৱকসকলক অনুৰোধ জনায়। লগতে ল'ৰা-ছোৱালী অত্যধিক বোজা নিদিবলৈ আহ্বান জনায়। যাৰ যিমান ক্ষমতা সিমানখিনি বোজাহে দিব লাগে, যাৰ ফলত বোজা সহিব নোৱাৰি বহুত ল'ৰা-ছোৱালীয়ে বিপথে যোৱা পৰিলক্ষিত হয়। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই সভাপতিত্ব কৰা গাম্ভীৰ্যপূৰ্ণ সভাখনত উপস্থিত থাকে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা তথা সম্পাদিকা বীণাপাণি বৰ্মন, অধিবক্তা মদন চন্দ্ৰ ডেকা, কামৰূপ জিলাৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয় (নসত্ৰ)ৰ উপাচাৰ্য ডঃ মোহন চন্দ্ৰ কলিতা। তাৰ পূৰ্বে অনুষ্ঠিত হৈ যায় গ্ৰন্থ উন্মোচনী সভা, ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠান আৰু হীৰক জয়ন্তী উপলক্ষে অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ বঁটা প্ৰদান। কাৰ্যসূচীত সভাপতিত্ব কৰে উদ্যাপন সমিতিৰ সভাপতি মদন চন্দ্ৰ ডেকা, গ্ৰন্থ উন্মোচন কৰে সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা, স্মৃতিগ্ৰন্থ উন্মোচন কৰে পৰামৰ্শদাতা-এমট্ৰন তথা সাংস্কৃতিক আলোচনী দাপোণৰ মুখ্য সম্পাদক দীনমণি ভাগুৱাৰ কায়স্থই। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাছতে সাংস্কৃতিক সন্ধিয়া আৰম্ভ হয়। অনুষ্ঠানৰ প্ৰথমদিনাৰ কাৰ্যসূচী বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰে আৰম্ভ হয়।

# ডিব্ৰুগড় "ইশ্বৰ কৃষ্ণৰ মহান উপলব্ধি" শীৰ্ষক গ্ৰন্থ উন্মোচন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ অক্টোবৰ ঃ** ডিব্ৰুগড় বৈৰাগীমঠস্থিত নৱৰূপা সংঘৰ ৰাজহুৱা ভৱন প্ৰাঙ্গণত অনুষ্ঠিত হোৱা অনুষ্ঠানত ডিব্ৰুগড়ৰ বৈৰাগীমঠ নিবাসী ভাৰতীয় ডাক-তাঁৰ বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া বিশিষ্ট লেখক, সমাজকৰ্মী, নামাচাৰ্য ক্ষীৰোদ ফুকনৰ দ্বাৰা ৰচিত "ইশ্বৰ কৃষ্ণৰ মহান উপলব্ধি" শীৰ্ষক গ্ৰন্থখনি "কৃষ্ণালয়"ৰ সৌজন্যত উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে বৈৰাগীমঠৰ বয়োজ্যেষ্ঠ ধৰ্মপ্ৰাণ ব্যক্তি তথা নিজ বৈৰাগীমঠ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ভোগেশ্বৰ দাস আৰু নৱৰূপা সংঘৰ সম্পাদক শ্ৰীমন্ত বৰদলৈয়ে। বৈৰাগীমঠৰ সামাজিক আৰু সাহিত্যিক পথাৰখনৰ এক পৰিচিত নাম ক্ষীৰোদ ফুকনে আধ্যাত্মিক চিন্তা-চৰ্চাৰে প্ৰকাশ পোৱা তেখেতৰ সাহিত্যকৃৰ্তিয়ে তেখেতৰ অভিজ্ঞতালব্ধ জীৱনৰ বহু গুৰুত্বপূৰ্ণ দিশক এক পৈণত সৰলতাৰে প্ৰকাশ কৰিছে। তেখেতৰ দ্বাৰা ৰচিত অন্যান্য গ্ৰন্থসমূহৰ ভিতৰত "মোৰ জীৱনৰ দীঘ- বাণি", "বিচিত্ৰ চিন্তাৰ পৰিক্ৰমা", "দূ বৰিৰ মুকুতা", "প্ৰকৃতি আৰু প্ৰেম", "বদৰিকাশ্ৰম", " মৰমৰ আইদেউ আৰু গোহাঁইদেউ", "শিশু কালেই আদি সত্যযুগ" আদিকে ধৰি কেইবাখনো গ্ৰন্থ ইতিমধ্যে পাঠকৰ দ্বাৰা সমাদৃত হৈছে। নৱৰূপা সংঘৰ সম্পাদক শ্ৰীমন্ত বৰদলৈয়ে কয় যে, 'মানুহৰ ব্যক্তিত্ব আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত পুথিভঁৰালৰ গুৰুত্ব আছে'- এই কথা উপলব্ধি কৰি ক্ষীৰোদ ফুকনে নিজৰ লিখিত গ্ৰন্থসমূহ পুথিভঁৰালত সময়ে সময়ে দান দি আহিছে। ডিব্ৰুগড়ৰ বৈৰাগীমঠত অৱস্থিত নৱৰূপা সংঘৰ পুথিভঁৰাললৈও তেওঁ লিখা ৬৯খন বিভিন্ন গ্ৰন্থ দান দি মহানুভৱতাৰ পৰিচয় দি নৱপ্ৰজন্মৰ মাজত এক সাহিত্য আৰু বৌদ্ধিক চৰ্চাৰ পৰিৱেশ সৃষ্টি কৰাত উল্লেখযোগ্য বৰঙনি আগবঢ়াইছে বুলি কয়। অনুষ্ঠানত বৈৰাগীমঠ অঞ্চলৰ বহু গণ্য মাণ্য ব্যক্তি উপস্থিত থাকে।

# দৰাবিল পৰিদৰ্শন কৰি চৰকাৰক সমালোচনা সমাজকৰ্মী মেধা পাটেকাৰৰ

**অসম বাৰ্তা, মিৰ্জা, ২৯ অক্টোবৰ ঃ** দক্ষিণ কামৰূপৰ আদ্ৰভূমি গো চৰণীয়া পথাৰ দৰাবিলৰ ভূমিত ৰজাঘৰীয়াই লজিষ্টিক পাৰ্ককে ধৰি বিভিন্ন উদ্যোগ স্থাপনৰ বাবে যো জা চলোৱাৰ খবৰ পাই স্থানীয় লোকে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। এই দৰাবিলৰ ওপৰত নিৰ্ভৰ কৰিয়েই বিলখনৰ চৌপাশে থকা ৰামপুৰ, নহিৰা, কুকুৰমাৰা, ৰাজাপুখুৰী আদিকে ধৰি বহু গাঁৱৰ মৎস্যজীৱি, মৃৎ শিল্পী, কৃষিজীৱি বহুলোকে অতীজৰে পৰা জীৱন নিৰ্বাহ কৰি আহিছে। শেহতীয়াভাৱে এই গো চৰণীয়া দৰাবিলৰ ভূমিত ৰজাঘৰীয়াৰ চকু পৰিছে। প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰি হ'লেও হেজাৰ হেজাৰলোকৰ পেটত গোৰ শোধাই এই বিলখন নিঃশেষ কৰাৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে যদিও কোনো পধ্যেই চৰকাৰী পক্ষক বুজাব পৰা নাই। অৱশেষত আজি উক্ত দৰাবিলৰ পাৰত উপস্থিত মেধা পাটেকাৰ। ভাৰতৰ এগৰাকী বিশিষ্ট সমাজকৰ্মী, যি মূলতঃ নৰ্মদা বচাও আন্দোলনৰ বাবে বিখ্যাত। তেওঁ নৰ্মদা নদীৰ ওপৰত নিৰ্মাণ হ'বলগীয়া বান্ধৰ বিৰুদ্ধে আৰু বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ দ্বাৰা স্থানচ্যুত হোৱা লোকসকলৰ অধিকাৰৰ বাবে যুঁজিছিল। অৱশেষত দৰাবিল ৰক্ষাৰ হকে মাত মাতিবলৈ উপস্থিত হল মেধা পাটেকাৰ। উল্লেখ্য যে পলাশবাৰী ৰাজহ চক্ৰৰ ৰামপুৰ মৌজাৰ ২নং ৰামপুৰ আৰু ২ নং ৰামপুৰ গাঁৱৰ গো-চৰণীয়া পথাৰ ৬১০নং দাগৰ অংশ ৮৩ বিঘা ২ কঠা ১৪ লেছা আৰু ২৪৪ নং দাগৰ অংশ ৬৬ বিঘা ২ কঠা ৬ লেছা মুঠ ১৫০ বিঘা ভূমি চৰকাৰে লজিষ্টিক পাৰ্ক নিৰ্মাণ কৰিবলৈ ব্যৱস্থা কৰিবলৈ বিচৰাক লৈ ইতিমধ্যেই জাণ্ডৰ খাই উঠিছে বৃহত্তৰ ৰামপুৰ অঞ্চলটোৰ ৰাইজৰ লগতে দক্ষিণ কামৰূপৰ বিভিন্ন দল সংগঠন, প্ৰকৃতিপ্ৰেমী, বিশিষ্ট চিন্তাবিদ, কুমাৰশিল্পীকে ধৰি গোপালক আৰু মৎস্যজীৱী লোকসকল। আজি নৰ্মদা বচাও আন্দোলনৰ বাবে বিখ্যাত মেধা পাটেকাৰ উপস্থিত হয় দৰাবিলৰ পাৰত। চৰকাৰে ৰামপুৰৰ দৰাবিলত লজিষ্টিক পাৰ্ক স্থাপন কৰিবলৈ ওলাইছে। ইয়াৰ বিৰোধিতাত দক্ষিণ কামৰূপৰ বিভিন্ন দল সংগঠনকে ৰামপুৰৰ ৰাইজে প্ৰতিবাদ বিক্ষোভ কৰি আহিছে। আনকি জিলা আয়ুক্তৰ কাৰ্যালয়তো ৰাইজে শুনানি দি এই কাৰ্যৰ বিৰোধ কৰিছে। কিন্তু চৰকাৰে আইনৰ সুৰুঙাৰে পুনৰ ৰামপুৰৰ দৰাবিলত লজিষ্টিক পাৰ্ক স্থাপন কৰিবলৈ যো জা চলাই গৈছে। এই ঘটনাৰ বাবেই ৰাইজৰ আহ্বানমৰ্মে আজি ৰামপুৰৰ দৰাবিলত উপস্থিত হয় নৰ্মদা বঁচাও আন্দোলনৰ সংগঠক, নেত্ৰী তথা মানৱ অধিকাৰ কৰ্মী মেধা পাটকাৰ। তেওঁ এই দৰাবিলৰ বুকুৰ বেদনাবোৰ শুনি দুখ প্ৰকাশ কৰে। কোনো কাৰণতেই দৰাবিলত লজিষ্টিক পাৰ্ক স্থাপন কৰিবলৈ নিদিয়াৰ বাবেই মাত মাতি যাব বুলি উল্লেখ কৰে। আপোনালোকৰ অধিকাৰ আপোনালোকৰ হাতত। দৰাবিলৰ ওপৰত আঘাত মানেই আমাৰ জীৱিকাৰ ওপৰত আঘাত বুলি কয়। চৰকাৰী পক্ষক নীতি নিয়ম উলংঘা কৰি লজিষ্টিক পাৰ্ক আৰু বিভিন্ন উদ্যোগ স্থাপন কৰিবলৈ লোৱা বুলি কঠোৰ সমালোচনা কৰে। প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থকা লোকক শেষ নকৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে উক্ত অঞ্চলৰ একাংশ সচেতন ৰাইজে দৰাবিলৰ বিৰোধিতাৰে বিভিন্ন সময়ত প্ৰতিবাদ কৰি আহিছে যদিও দুই চাৰিজন প্ৰতিবাদৰ নেতৃত্ব লোৱা লোকে সংবাদ মাধ্যমক আঁতৰত ৰাখি ৰাইজক প্ৰতিবাদ কৰিব লাগে বুলি উচতনি দি অহাৰ আঁৰত তেওঁলোকৰ অন্য অভিসন্ধি থকা বুলি এতিয়া ৰামপুৰ অঞ্চলত সাধাৰণ জনতাই ঋণাত্মক আলোচনা কৰিবলৈ লোৱা পৰিলক্ষিত হৈছে।

# চামগুৰি আৰু বড়মপুৰত "নিযুত মইনা ২.০" আঁচনিৰ অধীনত ছাত্ৰীসকলৰ মাজত চেক বিতৰণ



**অসম বাৰ্তা, পুৰণিগুদাম, ২৯ অক্টোবৰ ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অভিলাষী আঁচনিৰ অধীনত নিযুত মইনা ২.০ আঁচনিখন আজি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুভাৰম্ভ কৰাৰ সমান্তৰালভাৱে নগাঁও জিলাৰ চামগুৰি মহাবিদ্যালয়ৰ ছাত্ৰী সকলৰ মাজত চেক বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। সমগ্ৰ ৰাজ্যৰ ছাত্ৰীসকলক উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত আগবঢ়াই নিবলৈ ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰী নিযুত মইনা ২.০ আঁচনিৰ জৰিয়তে উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ লগতে চামগুৰি মহাবিদ্যালয়খনৰ প্ৰায় ২১৫ গৰাকী ছাত্ৰীক চেক প্ৰদান কৰা হয়। আজিৰ অনুষ্ঠানত চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা উপস্থিত থাকি ছাত্ৰীসকলৰ মাজত নিযুত মইনা আঁচনিৰ চেক সমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰে। বিধায়ক গৰাকীয়ে কন্যা শিক্ষাৰ্থীসকলৰ বাবে চৰকাৰে গ্ৰহণ কৰা এই অভিলাষী আঁচনিখনৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ভাষণ প্ৰসংগত কয় যে, নাৰী শিক্ষাৰ উত্তৰণত এই আঁচনিখনে এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব। এই আঁচনিখনৰ জৰিয়তে বাল্যবিবাহ প্ৰতিৰোধ, কিশোৰী অৱস্থাত মাতৃত্বৰ হাৰ কম কৰা, উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি সংখ্যা বৃদ্ধি আৰু কন্যা শিশুৰ স্বাস্থ্য, শিক্ষা আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিতকৰণত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিত বেজবৰুৱাই আঁট ধৰা উক্ত চেক বিতৰণ কৰা অনুষ্ঠানটোত গুৱাহাটীত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত "নিযুত মইনা ২.০" আঁচনিৰ শুভ উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। বড়মপুৰত ২, ২১৫ গৰাকী ছাত্ৰীয়ে লাভ কৰিলে নিযুত মইনা আঁচনিৰ চেক। নিযুত মইনা ২.০ চেক বিতৰণ অনুষ্ঠান আজি নগাঁও জিলাৰ বড়মপুৰ সমষ্টিৰ নৰ্নৈ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰীৰ নিযুত মইনা প্ৰকল্পৰ অধীনত একাদশ শ্ৰেণীৰ পৰা স্নাতকোত্তৰ স্তৰৰ ছাত্ৰীসকলৰ বাবে মাহিলী এক হাজাৰ টকাৰ পৰা দুই হাজাৰ পাঁচশ টকাৰ চেক বিতৰণ কাৰ্যসূচী ৰূপায়ণ হয়। মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত কেন্দ্ৰীয়ভাৱে শুভ উদ্বোধন কৰা এই আঁচনিৰ সমান্তৰালভাৱে বড়মপুৰ সমষ্টিৰ নৰ্নৈত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত হয়। বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে শুভ উদ্বোধন কৰা বড়মপুৰ সমষ্টিৰ বিভিন্ন বিদ্যালয় মহাবিদ্যালয়ৰ মুঠ ২, ২১৫ গৰাকী ছাত্ৰীয়ে এই আঁচনিৰ চেক লাভ কৰে। চেক বিতৰণ অনুষ্ঠানত বিধায়ক জিতু গোস্বামীৰ উপৰিও কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাকে ধৰি চামগুৰি আৰু কামপুৰৰ ৰাজহ চক্ৰ বিষয়াদ্বয়, বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ, শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু চেক লাভ কৰা ছাত্ৰীসকলৰ উপৰিও কেই বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## কোচ ৰাজবংশী ভাষাৰ ওপৰত গভীৰ আলোচনা

# বকোত কোচ ৰাজবংশী সাহিত্য সভাৰ ১৫ সংখ্যক বাৰ্ষিক ভাষা দিৱস পালন

**অসম বাৰ্তা, বকো, ২৯ অক্টোবৰ ঃ** ৰাজ্যৰ থলগিৰি ভূমিপুত্ৰ জনগোষ্ঠী কোচ ৰাজবংশী সকলোৰ বৌদ্ধিক সমাজক একত্ৰিত কৰা মঞ্চ কোচ ৰাজবংশী সাহিত্য সভাৰ আজি ১৫ সংখ্যক বাৰ্ষিক ভাষা দিৱস। "চিৰ সুধাকৰ ভাষা জননী" শীৰ্ষক বাণীৰে পৰিচালিত কোচ ৰাজবংশী সাহিত্য সভাৰ উদ্যোগত পালন কৰা ভাষা দিৱস বকোতো পালন কৰা হয়। কোচ ৰাজবংশী সাহিত্য সভাৰ অন্যতম জিলা সমিতি দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী সাহিত্য সভাৰ উদ্যোগত বকোস্থিত চিলাৰায় ভৱনত দিনযোৰা বৰ্ণাঢ্য কাৰ্য্যক্ৰমণিকাৰে আয়োজন কৰা হয় ভাষা দিৱসৰ কাৰ্য্যসূচী। দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি নৰ কুমাৰ ঠাকুৰীয়া আৰু সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ৰয়ে জনোৱা অনুসৰি মধ্য অসমৰ লগতে দক্ষিণ কামৰূপ জিলাৰ অন্তৰ্গত এলেকাত কোচ ৰাজবংশী ভাষা প্ৰচাৰ আৰু প্ৰসাৰৰ উপৰিও প্ৰচলনৰ বাবে আয়োজন কৰা হৈছে ভাষা দিৱসৰ কাৰ্য্যসুচী। ভাষা দিৱসৰ কাৰ্য্যসুচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে সভাপতি নৰ কুমাৰ ঠাকুৰীয়াই। অনুষ্ঠানত গছপুলি ৰোপণ কৰে জ্যেষ্ঠ সমাজ কৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক ৰমেশ চন্দ্ৰ ডেকাই। ইয়াৰ পিছতে স্বগোষ্ঠীৰ জ্যেষ্ঠ সমাজ কৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক ক্ষীৰোদা ডেকা আৰু পূৰ্ণ দাসৰ কমতা শিৰোমণি অম্বিকাচৰণ চৌধুৰী আৰু কমতা ৰত্ন অৰুণ কুমাৰ ৰায়ৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পিছতে ছাত্ৰ ছাত্ৰীৰ মাজত দুটা ভাগত ভাগ কৰি বিশ্ব মহাবীৰ চিলাৰায় আৰু প্ৰাকৃতিক সৌন্দৰ্য্য ওপৰত বিষয় বস্তু উপস্থাপন কৰি চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ পিছতে কোচ ৰাজবংশী ভাষাৰ সমবেত সংগীত পৰিৱেশন কৰি মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত কমতাপুৰ সুৰক্ষা সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত আই এ এছ অনুপম ৰায় আৰু পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খানাপাৰাৰ অধ্যাপক ডাঃ মনীন্দ্ৰ নাথ ৰয়ে মুখ্য অতিথিৰ আসন অলংকৃত কৰে। মুকলি সভাত কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্য্যকৰী সভাপতি অনুপম দাস, দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক দীপক কুমাৰ ৰয়, কালচাৰেল চোছাইটিৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ সাধাৰণ সম্পাদক মিণ্টু পাটোৱাৰী, কোচ ৰাজবংশী লেখিকা সভাৰ সভানেত্ৰী নিৰুপমা মজুমদাৰ, যুৱ ছাত্ৰ সন্মিলনীৰ বামুণী গাওঁ আঞ্চলিক সমিতিৰ সভাপতি বিতোপন ৰাজবংশী; বকো আঞ্চলিক সমিতিৰ সভাপতি পবিত্ৰ কুমাৰ দাস, মহিলা সমিতিৰ সভানেত্ৰী ৰীণা ডেকা, সাহিত্য সভাৰ অমিয় কুমাৰ ৰয়, গৌৰাংগ চৌধুৰী, জগত চন্দ্ৰ দাস, উদয় ৰাজবংশীকে ধৰি বহু সংখ্যক বিশিষ্ট অতিথিয়ে সভাত অংশগ্ৰহণ কৰে। কোচ ৰাজবংশী সাহিত্য সভাৰ ভাষা দিৱসৰ কাৰ্য্যসুচীত স্ব-ভাষাৰ ওপৰত আলোকপাত কৰাৰ উপৰিও গীত মাত কথা কবিতাৰে পৰিৱেশ মনোজ্ঞ কৰি তোলে।

# ধুবুৰী জিলাৰ প্ৰতাপ চন্দ্ৰ বৰুৱা, গৌৰীপুৰ খেলপথাৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ আনুষ্ঠানিক চেক বিতৰণ


**অসম বাৰ্তা, ধুবুৰী, ২৯ অক্টোবৰ ঃ** আজি ধুবুৰী জিলাৰ প্ৰতাপ চন্দ্ৰ বৰুৱা খেলপথাৰ, গৌৰীপুৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আঁচনিৰ অন্তৰ্গত বিৰ সিং বিধানসভাৰ অধীনত ৠ৮৫৫৩ৠ আত্মসহায়ক গোটৰ মহিলা সকলক ১০, ০০০ টকাকৈ চেক বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। অসম চৰকাৰৰ পঞ্চায়ত গ্ৰামোন্নয়ন, পৰ্যটন, সাধাৰণ প্ৰশাসন, ন্যায় আৰু ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাসে নিজৰ ভাষণ প্ৰসংগত উল্লেখ কৰে যে অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই অভিলাষী আঁচনি প্ৰত্যেকখন জিলাৰ বিধানসভা সমষ্টিত ৰূপায়ণ কৰাৰ ব্যৱস্থা কৰা হৈছে। যাৰ বিনিময়ত অসমৰ প্ৰায় সকলো জিলাৰ আই-মাতৃসকল উপকৃত হৈছে। চৰকাৰে আই -মাতৃ সকলক আৰ্থিক ভাৱে স্বাৱলম্বী কৰিবলৈ এই অভিলাষী আঁচনিৰ দ্বাৰাই এক বলিষ্ঠ পদক্ষেপ আৰু পৰিকল্পনা কৰে য'ত ৪০ লাখ অসমৰ আত্মসহায়ক গোটৰ সদস্যাৰ ভিতৰত ৩০ লাখ হিতাধিকাৰী বাছনি কৰা হৈছে যিসকলে ১০, ০০০ টকা লাভ কৰিব আৰু কোনো এটা উদ্যোগত এই টকা ব্যৱহাৰ কৰিব। এই অভিলাষী আঁচনিৰ একমাত্ৰ উদ্দেশ্য হ'ল, মহিলা সবলীকৰণ যাতে অসমৰ সকলো মহিলা আত্মনিৰ্ভৰশীল হওক আৰু তেতিয়াহে সমাজৰ প্ৰগতি হ'ব আৰু লগতে দেশৰ উন্নতি সাধন হ'ব, অৰ্থাৎ "সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস"ৰ কথা উল্লেখ কৰে। ২৭ - বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক চামছুল হুদাই উল্লেখ কৰে যে হিতাধিকাৰী সকলৰ মাজত উৎসাহ দেখি বহুত উৎফুল্ল হৈছে আৰু টকাখিনিৰ সঠিক ভাৱে ব্যৱহাৰ কৰিবলৈ সকলো হিতাধিকাৰীক কয়। তেখেতে উল্লেখ কৰে যে টেইলৰিং, হাঁহ, কুকুৰা পালন, দোকান আৰু হস্তশিল্প আদি কৰি বিভিন্ন ধৰণৰ ব্যৱসায় আছে যি মহিলা উদ্যোগৰ বিকাশৰ লগতে এই অভিযানে নগৰাঞ্চলৰ জীৱিকাৰ বিকল্প সম্ভাৱনাক উৎসাহিত কৰিব। ধুবুৰী জিলা আয়ুক্ত দিবাকৰ নাথে কয় যে অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই অভিলাষী আঁচনিৰ দ্বাৰা ৩০ লাখ আই- মাতৃসকল উপকৃত হৈছে। তেখেতে উল্লেখ কৰে যে মহিলা উদ্যমিতা অভিযান আঁচনি উপলক্ষে আনুষ্ঠানিকভাৱে আত্মসহায়ক গোটসমূহৰ সদস্যাসকলক ১০, ০০০ টকাৰ চেক বিতৰণ কৰা হ'ব আৰু এই অভিলাষী আঁচনিৰ জৰিয়তে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযানৰ মহিলা আত্মসহায়ক গোটৰ সদস্যাসকলক উদ্যোগী হিচাপে গ্ৰহ দিয়াৰ লগতে লাখপতি বাইদেউ হিচাপে গ্ৰহ দিবলৈ চেষ্টা কৰা হৈছে। উল্লেখযোগ্য যে আজি বিৰ সিং জৰুৱা বিধানসভা সমষ্টিত ৮৫৫৩ গৰাকী আত্মসহায়ক গোটৰ সদস্যাসকলক ১০, ০০০ টকাকৈ চেক প্ৰদান কৰা হৈছে আৰু আনুষ্ঠানিকভাৱে ১০ গৰাকী মহিলাক চেক প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি আত্মসহায়ক গোটৰ সদস্যাসকলক গ্ৰাম্য উদ্যোগী হিচাপে শক্তিশালী কৰাত আৰু ইয়াৰ জৰিয়তে অসমৰ লগতে ধুবুৰী জিলাৰ গ্ৰাম্য আৰু চহৰাঞ্চলৰ অৰ্থনৈতি সবল কৰাত নিশ্চিত ভাৱে সহায় কৰিব। আজিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত আছিল অসম চৰকাৰৰ পঞ্চায়ত, গ্ৰামোন্নয়ন, পৰ্যটন, সাধাৰণ প্ৰশাসন, ন্যায় আৰু ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস আৰু লগতে উপস্থিত আছিল বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক চামছুল হুদা, ধুবুৰী - গৌৰীপুৰ জিলা উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ দীপক কুমাৰ সাহা, জিলা পৌৰসভাৰ পৌৰপতি দেৱোময় সান্যাল, কামতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীবেশ ৰায়, ধুবুৰী জিলা আয়ুক্ত শ্ৰী দিবাকৰ নাথ, সমাজকৰ্মী ৰঞ্জিৎ ৰায়, সমাজকৰ্মী বিশ্বজিৎ ৰায়, ৰঞ্জিৎ কুমাৰ সাহা, বিশ্বজিৎ কলিতা, প্ৰশাসনিক বিষয়াসকল প্ৰমুখ্যে ৱাৰ্ড কমিছনাৰসকল, আত্মসহায়ক গোটৰ সদস্যাসকল।

# মৈৰাবাৰীত বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ; এজনক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, মৈৰাবাৰী, ২৯ অক্টোবৰ ঃ** মৰিগাঁও জিলাত চোৰাং গাঞ্জা ব্যৱসায়ৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। সোমবাৰে সন্ধিয়া মৰিগাঁও জিলা আৰক্ষীৰ চোৰাংচোৱাৰ গোপন সূত্ৰৰ তথ্যৰ আধাৰত মৈৰাবাৰী আৰক্ষীয়ে লেংৰিবৰী গাঁৱৰ এটা বিশেষ অভিযানত সফলতা অৰ্জন কৰে। অভিযানটোৰ সময়ত আৰক্ষীয়ে প্ৰায় ৪ কিলোগ্ৰাম গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। ধৃত ব্যক্তিজনক হৈছে আবুল ফজল ওৰফে বাহাৰুল। সূত্ৰ মতে, বাহাৰুলে লেংৰিবৰীত অবৈধভাৱে গাঞ্জা সৰবৰাহ কৰি আছিল, ঠিক তেতিয়াই আৰক্ষীয়ে অভিযান চলাই তেওঁক হাতেলুটে আটক কৰে। অবৈধ গাঞ্জা খিনিৰ বজাৰমূল্য লক্ষাধিক টকা হব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। আনহাতে, গাঞ্জাখিনি কুৰিয়াৰ যোগে বাহিৰৰ পৰা মৈৰাবাৰীত আনি সৰবৰাহ কৰা হৈছিল বুলি জানিব পৰা গৈছে। ইতিমধ্যে ধৃত ব্যক্তিজনক জিলা আদালতত হাজিৰ কৰোৱা হয়, য'ত আদালতে তেওঁক বিচাৰাধীন অৱস্থাত জেল হাজোতলৈ প্ৰেৰণ কৰে। অবৈধ মাদকবিৰোধী এই অভিযানত মৈৰাবাৰী আৰক্ষীৰ তৎপৰতাক স্থানীয় লোকে প্ৰশংসা কৰিছে।

### সবিতা ৰাণী মহলীয়াৰ গ্ৰন্থসহ ৪খন গ্ৰন্থ উন্মোচন

# কমাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সতীৰ্থ সন্মিলন-৮৭ সম্পন্ন



**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৯ অক্টোবৰ ঃ** গ্ৰন্থই মানুহৰ মন তথা জ্ঞানৰ দুৱাৰ মুকলি কৰে। গ্ৰন্থৰ অধ্যয়নে মানুহৰ প্ৰজ্ঞা বৃদ্ধি কৰে। এই মন্তব্য ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসম সাহিত্য সভাৰ বিশেষভাৱে আমন্ত্ৰিত সদস্য গৌৰীশংকৰ দাসৰ। নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত কমাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয়ত যোৱা ২৬ অক্টোবৰত অনুষ্ঠিত ১৯৮৭ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ সতীৰ্থসকলৰ সন্মিলনৰ মুকলি সভাত সতীৰ্থ তথা ওদালগুৰি জিলা সাহিত্য সভাৰ ৰাজ্যভাষা মাতৃভাষা প্ৰয়োগ উপশমিতিৰ আহ্বায়ক সবিতা ৰাণী মহলীয়াৰ কাব্য সংকলন 'মনৰ দুৱাৰ' উন্মোচন কৰি গৌৰীশংকৰ দাসে এইদৰে কয়। বিষ্ণুৰাম মেধি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা কমাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক মনোৰঞ্জন ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ডঃ প্ৰণীতা দেৱীয়ে প্ৰাক্তন সতীৰ্থসকলৰ সুদীৰ্ঘ প্ৰায় চাৰি দশকৰ অন্তত হোৱা মিলনৰ প্ৰচেষ্টাৰ ভূয়সী প্ৰশংসা কৰে। সতীৰ্থ মনোজ দাসে ৰচনা কৰা আৰু কমাৰকুছি শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰী আৰু সতীৰ্থসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে আদৰণি জনায় উদযাপন সমিতিৰ উপসভাপতি বিনীতা বৰুৱাই। মুখ্য অতিথিৰ ভাষণ দিয়ে নলবাৰী সংস্কৃত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপজ্যোতি বৰপূজাৰীয়ে। তেওঁ মনোজ কুমাৰ দাস আৰু গুণজিৎ শৰ্মা সম্পাদিত সতীৰ্থ সন্মিলনৰ স্মৃতিগ্ৰন্থ 'সহযাত্ৰী' উন্মোচন কৰে। সভাত গুণজিৎ দেৱ শৰ্মাৰ কাব্য সংকলন' অনুভৱৰ ধুনীয়া পৃথিৱী' উন্মোচন কৰে নিৰ্দিষ্ট বক্তা ড° প্ৰণীতা দেৱীয়ে আৰু বাণী সংকলন 'অনুভৱৰ বাণী মালা' উন্মোচন কৰে সভাপতি মনোৰঞ্জন ভট্টাচাৰ্যই। সভাত বিশিষ্ট অতিথিৰূপে প্ৰাক্তন ছাত্ৰ তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন মুখ্য বিজ্ঞানী ড° নলিনী কান্ত শৰ্মা আৰু বিদ্যালয় উন্নয়ন আৰু পৰিচালনা সমিতিৰ সভাপতি তথা গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গিৰীশ শৰ্মায়ো ভাষণ দিয়ে। সতীৰ্থসকলে শিক্ষাগুৰু দেৱেন্দ্ৰনাথ শৰ্মা, নাৰায়ণ চন্দ্ৰ শৰ্মা, হাৰেজুদ্দিন আহমেদ, জীৱেশ্বৰ তালুকদাৰ, খনীন্দ্ৰ শৰ্মা, মনোৰঞ্জন ভট্টাচাৰ্য আৰু কৰ্মচাৰী গোলাপ চন্দ্ৰ দাসক মুকলি সভাতে সম্বৰ্ধনা জনায়। সতীৰ্থসকলৰ হৈ স্বপ্না বেজবৰুৱাই দুআষাৰ কয়। সভাত বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰাতুল কলিতা, সমাজকৰ্মী কেশৱ ডেকা আদি উপস্থিত থাকে। সবিতা ৰাণী মহলীয়াৰ গ্ৰন্থ ডাকত ক্ৰয় কৰে লংকেশ্বৰ কলিতা আৰু খালেকুৰ ৰহমানে। ডাকত লাভ কৰা নগদ ২৭ হাজাৰ টকা গ্ৰন্থকাৰে সতীৰ্থ সন্মিলনক দান কৰে। সভাত ৰভা - মঞ্চ আৰু তোৰণদাতা সতীৰ্থ বিজুত ঠাকুৰীয়াকো বিশেষ সম্বৰ্ধনা জনোৱা হয়। শলাগ জ্ঞাপন কৰে উদ্‌যাপন সমিতিৰ সম্পাদক খালেকুৰ ৰহমানে। পুৱা পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি লংকেশ্বৰ কলিতাই। বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰাতুল কলিতা আৰু উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি মহেন্দ্ৰ দাসে। স্মৃতি তৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক জীৱেশ্বৰ তালুকদাৰে। সতীৰ্থসকলৰ চিনাকি আৰু অন্তৰংগ অনুষ্ঠানৰ আঁত ধৰে খালেকুৰ ৰহমান আৰু মুকুল লহকৰে। জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত গীত পৰিৱেশন কৰে বৰভাগ শংকৰদেৱৰ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলে। উদযাপন সমিতিয়ে সকলো দিশতে সহায় সহযোগ আগবঢ়োৱা বাবে যাদৱ কলিতা সহিতে সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে।

### বৰক্ষেত্ৰীৰ কালদিত পাঁচদিনীয়াকৈ গো-পূজাৰ আৰম্ভণি

# বৰক্ষেত্ৰীৰ একমাত্ৰ ঐতিহ্যপূৰ্ণ গো-পূজাক লৈ উখল-মাখল বৰক্ষেত্ৰীৰ কালদি

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৯ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৃহত্তৰ বৰক্ষেত্ৰীৰ কালদিত আজি ২৮ অক্টোবৰৰ পৰা ১ নৱেম্বৰলৈ পাঁচদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে ৬৭ সংখ্যক গো-পূজাৰ শুভাৰম্ভণি কৰা হয়। আঞ্চলিক জনতা গো-সেৱা সমিতি, কালদিৰ উদ্যোগত কালদি গোপালথান প্ৰাংগণত অনুষ্ঠিত গো-পূজাখনক লৈ অঞ্চলটোত ব্যাপক উচাহ পৰিলক্ষিত হৈছে। বৰক্ষেত্ৰীৰ একমাত্ৰ ঐতিহ্যপূৰ্ণ গো-পূজাখনক লৈ উখল মাখল হৈ পৰিছে বৰক্ষেত্ৰীৰ কালদি অঞ্চল। নাৰায়ণ ডেকাক সভাপতি, বীৰেণ দাসক কাৰ্যকৰী সভাপতি, নগেন তালুকদাৰ, যতীন্দ্ৰ ৰাজবংশীক যুটীয়া সাধাৰণ সম্পাদক, প্ৰীতম গোস্বামী, সুৰজিৎ তালুকদাৰ, দধি বৰ্মণ, ভবেন্দ্ৰ দাস, ভবেন বৰ্মণ, প্ৰফুল্ল নাথ, হৰেন্দ্ৰ নাথ তালুকদাৰক উপ সভাপতি, সুবোধ ডেকা, মানসজ্যোতি তালুকদাৰ, উমেশ ৰাজবংশী, চন্দন বৰ্মণ, নয়ণ দাস, ৰুদ্ধ মেধি, কামেশ্বৰ হালৈক সহ সম্পাদক হিচাপে লৈ গঠিত আঞ্চলিক জনতা গো-পূজা সমিতিয়ে জনিবলৈ দিয়া অনুসৰি আজিৰ পৰা পাঁচদিনীয়াকৈ চলিবলগীয়া এই পূজা চাবলৈ অঞ্চলটোত নলবাৰীৰ বিভিন্ন প্ৰান্তৰ লোকে ভীৰ কৰে। বৃহত্তৰ বৰক্ষেত্ৰীত অনুষ্ঠিত কৰা একমাত্ৰ এই গো-পূজাখনে অঞ্চলটোৰ এক সুকীয়া পৰিচয়ো বহন কৰি আহিছে। আজিৰ কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৭ বজাত চাফাই কামৰ পিছতে ৯ বজাত আঞ্চলিক জনতা গো- পূজা সমিতিৰ কাৰ্যকৰী সভাপতি তথা কালদি গোপালথান হাইস্কুলৰ জ্যেষ্ঠ সহকাৰী শিক্ষক বীৰেণ দাসে পতাকা উত্তোলন কৰে। ৯.৩০ বজাত গছপুলি ৰোপণ কৰে অৱসৰী শিক্ষক বীৰেণ চৌধুৰী, লেখক শিক্ষাবিদ কমল দাস, সমাজসেৱক উপেন ডেকা, কালদি গোপালথান হাইস্কুলৰ প্ৰধান শিক্ষক চবিন চন্দ্ৰ কলিতা, সহ শিক্ষক অশ্বিনী ৰয় প্ৰমুখ্যে ভালেমান গণ্য মান্য ব্যক্তিয়ে। ইয়াৰ পিছতে ১০ বজাত স্মৃতি তৰ্পণ কৰে গো-সেৱা সমিতিৰ প্ৰাক্তন সভাপতি আনন্দ ৰাজবংশী আৰু গো-সেৱা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক ৰজনী বৈশ্যই। শ্বহীদ তৰ্পণ আৰু মাল্যাৰ্পণৰ পিছতে সমিতিৰ কাৰ্যালয়ৰ দ্বাৰ মুকলি, প্ৰতিমালৈ শোভাযাত্ৰা, পূজাৰ মুখ্যদ্বাৰ মুকলি, মন্দিৰৰ দ্বাৰ মুকলি আৰু বন্তি প্ৰজ্বলন কাৰ্যসূচী পালন কৰা হয়। সন্ধিয়া ৫: ৩০ প্ৰতিমা স্থাপন, সন্ধিয়া ৬ বজাত অসমীয়া জাতিৰ হিয়াৰ আমঠু, হাৰ্টথ্ৰৱ জুবিন গাৰ্গলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, সন্ধিয়া ৭ বজাত জুবিন গাৰ্গৰ গীতৰ আধাৰত সংগীত প্ৰতিযোগিতা আয়োজন কৰা হয়। আনহাতে, ২৯ অক্টোবৰ বুধবাৰে পুৱা ৭ বজাত চাফাই কাম আৰু পুৱা ৯ বজাত পূজা আৰম্ভ কৰা হ'ব। পুৱা ১০ বজাত ওজাপালি পৰিৱেশন, পুৱা ১১ বজাত গো অৰ্চনা, হোম, গো-গ্ৰাস প্ৰদান, দিনৰ ১২ বজাত আয়তীৰ দিহানাম, দুপৰীয়া ১ বজাত প্ৰসাদ বিতৰণ, দুপৰীয়া ভোগ বিতৰণ, সন্ধিয়া ৪ বজাত আৰতী অনুষ্ঠান, সন্ধিয়া ধৰ্মালোচনী সভাৰ লগতে আদৰ্শ গো-পালক আৰু বিবিধ ক্ষেত্ৰৰ সম্বৰ্ধনা অনুষ্ঠান, সন্ধিয়া ৭ বজাত দৰ্শক কুইজ প্ৰতিযোগিতা, নিশা ৮ বজাত নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ মিলিজুলি ভোলানাথ নাগাৰা নাম দলৰ নাম পৰিৱেশন কাৰ্যসূচী অনুষ্ঠিত কৰিব। ৩০ অক্টোবৰত পুৱা ৭ বজাত চাফাই কাম, পুৱা ৯ বজাত পূজা আৰম্ভ, দিনৰ ১২ বজাত পুষ্পাঞ্জলী প্ৰদান আৰু প্ৰসাদ বিতৰণ, দুপৰীয়া ১ বজাত গোৰেশ্বৰৰ উৰ্বশী ৰাজবংশীৰ নাগাৰা নাম পৰিৱেশন, সন্ধিয়া ৫ বজাত আৰতী অনুষ্ঠান, সন্ধিয়া ৰাজধানী থিয়েটাৰৰ মঞ্চ উদ্বোধন আৰু প্ৰথম দৰ্শনীৰ নাট প্ৰদৰ্শন কৰিব। ৩১ অক্টোবৰত পুৱা ৭ বজাত চাফাই কাম, পুৱা ৯ বজাত পূজাৰম্ভ, দিনৰ ১২ বজাত পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰসাদ বিতৰণ, দুপৰীয়া ১ বজাত ৰৌমাৰী গোপাল সেৱক কৃষ্টি ঢুলীয়া দলৰ ঢুলীয়া প্ৰদৰ্শন, সন্ধিয়া ৫ বজাত আৰতী অনুষ্ঠান, সন্ধিয়া ৫: ৩০ বজাত ৰাজধানী থিয়েটাৰৰ প্ৰথম দৰ্শনীৰ নাট প্ৰদৰ্শন আৰু ৰাতি ৮: ৩০ বজাত দ্বিতীয় দৰ্শনীৰ নাট প্ৰদৰ্শন, ৰাতি ১০ বজাত ৰৌমাৰী গোপাল সেৱক কৃষ্টি ঢুলীয়া দলৰ নাট প্ৰদৰ্শন চলিব। ১ নৱেম্বৰৰ পুৱা ৭ বজাত চাফাই কাম, পুৱা ১০ বজাত বিনামূলীয়া পশু চিকিৎসা শিবিৰ, দিনৰ ১২ বজাত পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰসাদ বিতৰণ, দুপৰীয়া ১ বজাত দিহানাম প্ৰতিযোগিতা, সন্ধিয়া ৫.৩০ বজাত ৰাজধানী থিয়েটাৰৰ প্ৰথম দৰ্শনী আৰু ৰাতি ৮.৩০ বজাত দ্বিতীয় দৰ্শনীৰ নাট প্ৰদৰ্শন কৰিব। উল্লেখ্য যে ঐতিহ্য বহনকাৰী এই গো-পূজা খনে অঞ্চলটোত এক সুকীয়া পৰিচয় বহন কৰি আহিছে। পাঁচদিনীয়াকৈ চলিবলগীয়া ৬৭ সংখ্যক গো-পূজাৰ সকলো কাৰ্যসূচীতে ৰাইজৰ সহযোগিতা কামনা কৰিছে উদযাপন সমিতিয়ে।

### দুধনৈ (স্বায়ত্ত্ব শাসিত) মহাবিদ্যালয়ৰ ১৩১৭ গৰাকী ছাত্ৰীয়ে লাভ কৰিলে নিযুত মাইনা আঁচনিৰ চেক

# নিযুত মাইনা ২.০ আঁচনিয়ে কন্যা শিক্ষাৰ্থীৰ মাজত প্ৰতিযোগিতামূলক মনোভাব বৃদ্ধি কৰিব ঃ টংকেশ্বৰ ৰাভা

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৯ অক্টোবৰ ঃ** উচ্চ শিক্ষা আহৰণৰ দিশত কন্যা শিক্ষাৰ্থীৰ বাবে সমগ্ৰ ৰাজ্যৰ লগতে দুধনৈ স্বায়ত্ত্ব শাসিত মহাবিদ্যালয়তো সোমবাৰে অসম চৰকাৰৰ উচ্চ আৰু বিদ্যালয় শিক্ষা বিভাগৰ "নিযুত মাইনা ২.০ আঁচনি"ৰ চেক বিতৰণৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিলে ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। ৰাজ্য চৰকাৰৰ এই অভিলাষী আঁচনিৰ জৰিয়তে প্ৰায় ১০ লাখ ছাত্ৰী উপকৃত হব উচ্চতৰ মাধ্যমিক, স্নাতক, স্নাতকোত্তৰ শ্ৰেণীৰ কন্যা শিক্ষাৰ্থীক বিতৰণ কৰা হৈছে এই চেক। এই অভিলাষী আঁচনিৰ জৰিয়তে দুধনৈ স্বায়ত্ত্ব শাসিত মহাবিদ্যালয়ৰ ৭৬০ গৰাকী স্নাতক মহলাৰ আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ৫৫৭ গৰাকে ছাত্ৰী মুঠ ১৩১৭ গৰাকী ছাত্ৰী উপকৃত হব। গোৱালপাৰা জিলাত মুঠ ১২০৩৮গৰাকী ছাত্ৰীয়ে লাভ কৰিছে এই চেক। দুধনৈ মহাবিদ্যালয়ৰ কন্যা শিক্ষাৰ্থী সকলৰ মাজত চেক বিতৰণ কৰাৰ অন্তত সাংবাদিকৰে হোৱা বাৰ্তালাপত ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই এই কয় যে- এই আঁচনিৰ জৰিয়তে যিসকল ছাত্ৰীয়ে আৰ্থিক অভাৱৰ বাবে পঢ়াশুনাৰ পৰা বঞ্চিত হ'ব লগা হয় নতুবা পঢ়াশুনা বাদ দি বাল্যবিবাহৰ বলি হব লগা হয় তেনে ক্ষেত্ৰত সেই সকল ছাত্ৰী উপকৃত হোৱাৰ লগতে অভিভাৱক সকলেও সকাহ লাভ কৰিব। এই আঁচনিৰ জৰিয়তে কন্যা শিক্ষাৰ্থী সকলৰ মনত প্ৰতিযোগিতাৰ মনোভাব গঢ়ি উঠিব আৰু উচ্চ শিক্ষাৰ প্ৰতি ধাউতি বাঢ়িব। একেটা অনুষ্ঠানতে দুধনৈ স্বায়ত্ত্ব শাসিত মহাবিদ্যালয়ৰ শিক্ষক সংস্থাৰ তৰফৰপৰা মুঠ চাৰিগৰাকী ছাত্ৰ ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। ২০২৫ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ স্নাতক চূড়ান্ত পৰীক্ষাত দুধনৈ মহাবিদ্যালয়ৰ ভিতৰত কলা শাখাত সৰ্বোচ্চ নম্বৰ লাভ কৰা অৰ্থনীতি বিজ্ঞান বিভাগৰ শ্ৰীতি দেৱনাথ, বিজ্ঞান শাখাত সৰ্বোচ্চ নম্বৰ লাভ কৰা পদাৰ্থ বিজ্ঞান বিভাগৰ পুষ্প কুমাৰ নাথ, বাণিজ্য শাখাত সৰ্বোচ্চ নম্বৰ লাভ কৰা উৰ্মিলা ৰাহাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। প্ৰতিগৰাকীকে একোখনকৈ অভিনন্দন পত্ৰ, নগদ পাঁচ হাজাৰ টকা আৰু গামোচাৰে অভিনন্দন জনোৱা হয়। লগতে ২০২৫ বৰ্ষৰ স্নাতক দ্বিতীয় যাণ্মাসিকৰ পৰীক্ষাত ৯.১৫ এছজিপিএ লাভ কৰা মিচ আদিবা কাইছাৰক এখনি গামোচা আৰু নগদ দুহাজাৰ টকাৰে সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানটিত ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ললিত চন্দ্ৰ ৰাভা, উপাধ্যক্ষ দেৱ কুমাৰ শৰ্মা, দুধনৈ মহাবিদ্যালয় শিক্ষক সংস্থাৰ সভাপতি শ্ৰীযুত সূৰ্য্য কুমাৰ স্বৰ্গীয়াৰী আৰু সম্পাদক ড° নীলমনি দত্তই কৃতী ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্ধনা জ্ঞাপন কৰে।

## কলিতা জনগোষ্ঠী সন্মিলনৰ সপ্তদশ দ্বি-বাৰ্ষিক গোলাঘাট অধিবেশনৰ প্ৰস্তুতি

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৯ অক্টোবৰ ঃ** কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ সপ্তদশ দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিবেশনৰ লগত সংগতি ৰাখি আজি গোলাঘাট নগৰৰ কুমাৰপট্টি ৰাজহুৱা নামঘৰত এখনি সভা অনুষ্ঠিত কৰা হয়। জিলা সমিতিৰ সভাপতি ধনেশ্বৰ বৰ্মনে সভাপতিত্ব কৰা সভাখনত কলিতা ছাত্ৰ সন্থাৰ গোলাঘাট নগৰ আঞ্চলিক গোটটি গঠন কৰা হয়। এই সভাত আগন্তুক অধিবেশনখনিৰ সাংস্কৃতিক দিশৰ ওপৰতো আলোচনা কৰাৰ লগতে বিভিন্ন ব্যক্তিক বিভিন্ন দায়িত্ব অৰ্পণ কৰা হয়। সভাখনত জিলা সমিতিৰ সভাপতি ধনেশ্বৰ বৰ্মন, সম্পাদক ৰিপুন শইকীয়া, উদযাপন সমিতিৰ সভাপতি ডাঃ মাখন প্ৰসাদ বৰদলৈ, সম্পাদক ইন্দ্ৰ চন্দ্ৰ কলিতা, সম্পাদক অজিৎ শইকীয়াই বক্তব্য আগবঢ়ায়। উল্লেখযোগ্য যে আগন্তুক বৰ্ষৰ ২৩, ২৪ আৰু ২৫ জানুৱাৰীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গোলাঘাটৰ ঐতিহাসিক হামদৈ পথাৰৰ 'ভগদত্ত ক্ষেত্ৰ'ত কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ সপ্তদশ দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিবেশনখনি অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। এই অধিৱেশনখনি সাফল্যমণ্ডিত কৰি তুলিবলৈ জিলা সমিতি আৰু উদযাপন সমিতিয়ে সমূহ ৰাইজৰ সহায় সহযোগিতা কামনা কৰে। সভাই অধিবেশনৰ লগত সংগতি ৰাখি প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থৰ বাবে ৯৪৩৫০-৫৩৮২১ নম্বৰৰ লগতে অসমীয়া থলুৱা সামগ্ৰীৰ বিপণীৰ বাবে ৯৪৩৫৩৫৪৩২৪ / ৮৭৭৯৫৫৫৪২৪ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# হাজোত গুৱাহাটী প্ৰেছ ক্লাৱৰ নৱ নিৰ্বাচিত সভাপতি সম্পাদকক সম্বৰ্ধনা



**অসম বাৰ্তা, হাজো, ২৯ অক্টোবৰ ঃ** গুৱাহাটী প্ৰেছ ক্লাৱৰ নৱ নিৰ্বাচিত সভাপতি হাজোৰ সু সন্তান বিশিষ্ট সাংবাদিক খগেন কলিতা আৰু সম্পাদক তথা হাজোৰ সু সন্তান জ্যেষ্ঠ সাংবাদিক অমৰেন্দ্ৰ ডেকাক কালি হাজো প্ৰেছ ক্লাৱ আৰু হাজো সাংবাদিক সন্থাই যৌথভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাৰ আৰম্ভণিতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে বিজেপি নেতা প্ৰকাশ চন্দ্ৰ দাসে। এই উদ্দেশ্যে হোটেল চন্দ্ৰমাৰ সভাকক্ষত এখন সভা অনুষ্ঠিত হয়। হাজো প্ৰেছ ক্লাৱৰ সভাপতি দীপক দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে হাজো প্ৰেছ ক্লাৱৰ সম্পাদক দীপাংকৰ মজুমদাৰে। সভাত হাজো সাংবাদিক সন্থাৰ সভাপতি গোবিন্দ দাস, মহকুমা স্বাস্থ্য বিষয়া ডাঃগৌৰাঙ্গ দাস, হাজো আৰক্ষী থানাৰ পৰিদৰ্শক ৰূপম হাজৰিকা প্ৰমুখ্যে বিভিন্ন জনে বিশিষ্ট সাংবাদিক খগেন কলিতা আৰু অমৰেন্দ্ৰ ডেকাৰ উত্তৰণ সন্দৰ্ভত নিজৰ নিজৰ মতামত আগবঢ়াই। এই সভাতে কামৰূপ জিলা সাংবাদিক ঐক্যমঞ্চ, হাজো ৰাইজ সমিতি হাজো ক্ৰীড়া সন্থাৰ হাজো আঞ্চলিক ছাত্ৰ সন্থা, বৰছলি নাগৰিক সমাজ, হাজো ক্ৰীড়া সন্থাই ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি গুৱাহাটী প্ৰেছ ক্লাৱৰ সম্পাদক অমৰেন্দ্ৰ ডেকাই সকলোৰে সু-দিহা পৰামৰ্শলৈহে ভৱিষ্যতত গুৱাহাটী প্ৰেছ ক্লাৱে কাৰ্যপন্থা হাতত ল'ব বুলি ভাষণ উল্লেখ কৰি হাজোৰ জ্যেষ্ঠ সাংবাদিক তথা ৰাইজৰ আশীৰ্বাদ ল'বলৈহে হাজোত উপস্থিত হোৱা বুলি ব্যক্ত কৰে। তেওঁ সাংবাদিক সকলক কোনো ধৰণৰ প্ৰৰোচনা মূলক বাতৰি নাইবা কোনো ধৰণৰ উদ্দেশ্য প্ৰণোদিত বাতৰি পৰিৱেশনৰ ক্ষেত্ৰত সদায়ে সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। গুৱাহাটী প্ৰেছ ক্লাৱৰ কেতবোৰ অভাৱ- অভিযোগ আছে বুলিও উল্লেখ কৰি পৰবৰ্তী সময়ত সকলোবোৰ প্ৰেছ ক্লাৱৰ লগত মিলিত হৈ একত্ৰিতভাৱে কথাবোৰ আলোচনাৰ মাধ্যমেৰে সকলোৰে সুবিধা হোৱাকৈ ইতিবাচক পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰখা হ'ব বুলি কৈ সাংবাদিক সকলৰ কৰ্মশালা অনুষ্ঠিত কৰিলে সাংবাদিক সকল যথেষ্ট পৰিমাণে উপকৃত হ'ব বুলিও মন্তব্য আগবঢ়াই জ্যেষ্ঠ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাৱৰ নৱ নিৰ্বাচিত সম্পাদক গৰাকীয়ে। সাংবাদিকৰ অধিকাৰৰ সম্পৰ্কে মাত মাতিব লাগিব বুলিও তেওঁ গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াই।

# চীনৰ ছাংহাইত সমাদৃত ড° দীপ শইকীয়া



**অসম বাৰ্তা, দুলীয়াজান, ২৯ অক্টোবৰ ঃ** আমাৰ দৈনন্দিন জীৱনত অপৰিহাৰ্য হৈ পৰা প্লাষ্টিক যৌগিক পদাৰ্থৰ নিৰ্মাণত পূৰ্বে ব্যৱহৃত কৃত্ৰিম আঁহৰ পৰিবৰ্তে শেহতীয়াকৈ উৎপাদনকাৰী কোম্পানী সমূহে বনজ আঁহ ব্যৱহাৰ কৰি চমকপ্ৰদ সফলতা লাভ কৰিছে। নৱীকৰণ, সহজলভ্য, কম খৰচী আদি উপযোগী কাৰকৰ বাবে এই প্ৰাকৃতিক আঁহৰ দ্বাৰা নিৰ্মিত প্ৰাকৃতিক যৌগিক পদাৰ্থৰ চাহিদা বৰ্তমান সময়ত দিনক দিনে বাঢ়িছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ বিজ্ঞানী-গৱেষক সকলে প্ৰাকৃতিক যৌগিক পদাৰ্থ নিৰ্মাণ কৰি তাক কাৰ্যক্ষম কৰি তোলাৰ অৰ্থে অহৰ্নিশে গৱেষণাত ব্ৰতী হৈ আছে। অসমত অপৰ্যাপ্ত হৈ থকা বনজ আঁহৰে কাৰ্যক্ষম প্ৰাকৃতিক যৌগিক পদাৰ্থৰ নিৰ্মাণৰ ওপৰত মৌলিক গৱেষণা কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি অৰ্জন কৰিছে গৱেষক-অধ্যাপক ডিগবৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত)ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° দীপ শইকীয়া আৰু তেখেতৰ তত্বাৱধানত গৱেষণা কৰা দলে। অলপতে, চীনদেশৰ ছাংহাইৰ "ছাংহাই পলিটেকনিক বিশ্ববিদ্যালয়"ত অক্টোবৰ মাহৰ ১৭ৰ পৰা ২১তাৰিখলৈ অনুষ্ঠিত "এছিয়ান থাৰ্ম'-ফিজিকেল প্ৰপাৰ্টিজ"ৰ চতুৰ্দশ আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰত "কিনোট স্পীকাৰ" হিচাপে সমল ব্যক্তি ৰূপে আমন্ত্ৰিত হৈ ড° দীপ শইকীয়াই অসমত উপলব্ধ বনজ আঁহৰে কাৰ্যক্ষম যৌগিক পদাৰ্থ নিৰ্মাণ সন্দৰ্ভত তেখেতৰ শেহতীয়া গৱেষণাৰ বিশদ বৈজ্ঞানিক ব্যাখ্যাৰে বক্তৃতা প্ৰদান কৰি বিদেশী বিজ্ঞানী তথা বিশেষজ্ঞ মহলৰ ভূঁয়সী প্ৰশংসা লাভ কৰিছে। তেখেতে উক্ত আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ এটি টেকনিকেল ছেছনৰো সভাপতিত্ব কৰি সন্মানিত হৈছে। "এছিয়ান থাৰ্ম'-ফিজিকেল প্ৰপাৰ্টিজ" আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰ প্ৰতি তিনি বছৰৰ মূৰে মূৰে অনুষ্ঠিত হয় আৰু বিশ্বৰ প্ৰসিদ্ধ তিনিখন তাপীয় ভৌতিক বিজ্ঞানৰ আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ ভিতৰৰ ই হৈছে অন্যতম, য'ত পদাৰ্থ তথা ৰসায়নৰ নোবেল বঁটা প্ৰাপকৰদৰে বিশ্ব বৰেণ্য গৱেষক বিজ্ঞানীয়েও সময়ে সময়ে যোগদান কৰি আলোচনাচক্ৰখনিৰ মান বৃদ্ধি কৰি আহিছে। ২০২৮ বৰ্ষত জাপানত অনুষ্ঠিত হ'বলগীয়া "এছিয়ান থাৰ্ম'-ফিজিকেল প্ৰপাৰ্টিজ" পঞ্চদশ আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ এঘাৰ জনীয়া আন্তৰ্জাতিক কাৰ্যকৰী সমিতিৰ এজন সন্মানিত সদস্যৰূপে ড° শইকীয়া মনোনীত হৈছে। উক্ত সমিতিৰ আন আন সদস্যপদ অলংকৃত কৰিছে চীন, জাপান আৰু কোৰিয়াৰ বৰেণ্য বিজ্ঞানীয়ে। উল্লেখযোগ্যযে, ইয়াৰ পূৰ্বেও ড° দীপ শইকীয়াই চীন (২০০৪, ২০১০ আৰু ২০১৯ চন), জাপান (২০০৭, ২০১৬আৰু ২০২২চন), দক্ষিণ কোৰিয়া (২০১৩ চন) আৰু আমেৰিকাৰ যুক্তৰাষ্ট্ৰ (২০১০ চন) আদি বিদেশী ৰাষ্ট্ৰত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰত গৱেষণা পত্ৰ পাঠ কৰি কীৰ্তি আৰ্জিছে। ড° শইকীয়াৰ গৱেষণা পত্ৰ উচ্চ স্তৰীয় আন্তৰ্জাতিক গৱেষণা আলোচনীত ধাৰাবাহিক ভাৱে প্ৰকাশিত হৈ আহিছে আৰু সমাদৃত হৈছে।

## ডিব্ৰুগড়ৰ 'চয়নিকা' নাট্যগোষ্ঠীৰ ৩৪ সংখ্যক নটসূৰ্য্য ফণী শৰ্মা সোঁৱৰণী নাট সমাৰোহৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ অক্টোবৰ ঃ** ডিব্ৰুগড়ৰ অন্যতম সামাজিক সাংস্কৃতিক গোষ্ঠী "চয়নিকা"ৰ ৩৪ সংখ্যক নটসূৰ্য্য ফণী শৰ্মা সোঁৱৰণী নাট সমাৰোহ খনি ডিব্ৰুগড় জিলা পুথিভঁৰালত অহা ২৮, ২৯ আৰু ৩০ নৱেম্বৰত তিনিদিনীয়া কাৰ্য্যসূচীৰে পতাৰ আয়োজন কৰা হৈছে। এইবাৰৰ প্ৰথম নিশাৰ নাট অংকুৰণ নাট্য গোষ্ঠীৰ দ্বাৰা পৰিবেশিত ফণী শৰ্মা ৰচিত নাট "চিৰাজ" দ্বিতীয় নিশাৰ নাট যোৰহাট কলা ভূমিৰ দ্বাৰা পৰিবেশিত নাট "যি কথা নহ'ল কোৱা" আৰু তৃতীয় নিশাৰ নাট এলাহাবাদৰ বেক ষ্টেজ পৰিবেশিত নাট "বাজী।" লগতে আন কেইবাৰৰ দৰে এইবাৰো নৱেম্বৰ মাহৰ ২ তাৰিখে স্থানীয় চিটি কলেজত দিনৰ ১০বজাত বৰুন হাজৰিকা সোঁৱৰণী চিত্ৰাংকণ প্ৰতিযোগিতা অংকুৰৰ পৰা দ্বাদশ শ্ৰেণীলৈ চাৰিটা শাখাত আৰু ২ বজাত দেৱ কুমাৰ ভট্টাচাৰ্য সোঁৱৰণী একক অভিনয় প্ৰতিযোগিতা পঞ্চম শ্ৰেণীৰ পৰা স্নাতকোত্তৰ শ্ৰেণীলৈকে তিনিটা শাখাত পতাৰ আয়োজন কৰা হৈছে।

### ঘটনাটোক লৈ অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি

# গোৱালপাৰাৰ কাৰবালাত অচিনাকি মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, গোৱালপাৰা, ২৯ অক্টোবৰ ঃ** গোৱালপাৰাৰ কাৰবালাত উদ্ধাৰ এগৰাকী অচিনাকি ব্যক্তিৰ মৃতদেহ। প্ৰাপ্ত তথ্য অনুসৰি, গোৱালপাৰা সদৰ থানাৰ অন্তৰ্গত চহৰৰ কাৰবালাৰ ৰাজহ গাঁৱৰ ব্ৰহ্মপুত্ৰ নদী আৰু হাঁহিলা বিল সংযোগী নলাত আজি ৰাতিপুৱাত মৃতদেহটো উদ্ধাৰ কৰা হয়। প্ৰথমে পথচাৰীয়ে মৃতদেহটো দেখি আৰক্ষীক খবৰ দিয়ে। খবৰ পোৱা মাত্ৰেই গোৱালপাৰা আৰক্ষী স্থানলৈ উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। ঘটনাটোক লৈ অঞ্চলজুৰি চাঞ্চল্যৰ পৰিৱেশ সৃষ্টি হয়। বাতৰি সংগ্ৰহ কৰাৰ পিছৰে পৰা আৰক্ষীয়ে উদ্ধাৰ কৰা মৃতদেহটো বৰ্তমানলৈকে চিনাক্তকৰণ হোৱা নাই। যুৱকজনৰ পিন্ধনত পেণ্ট আৰু টি-চাৰ্ট আছে কিন্তু বোকাত-লুতুৰী হৈ থকাত পিন্ধনৰ কাপোৰৰ ৰং চিনাক্ত কৰিব পৰা নাই। আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে শ্বহীদ নিধানুৰাম ৰাজবংশী গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে যে কোনোবাই যুৱকজনক হত্যা কৰি পানীত পেলাই দিছে। যদিও এতিয়ালৈকে মৃতদেহটো চিনাক্ত হোৱা নাই। আনহাতে, উক্ত ঘটনাৰ সম্পৰ্কে গোৱালপাৰা আৰক্ষীৰ তদন্ত অব্যাহত আছে। আৰক্ষীৰ তদন্ত আৰু মৰণোত্তৰ পৰীক্ষাৰ অন্তত সকলো ঘটনা পোহৰলৈ আহিব।

# আলোকঝাৰীত নিৰ্মাণ কৰা হ'ব প্ৰয়াত ফণী মেধিৰ আবক্ষ মূৰ্তি

**অসম বাৰ্তা, অভয়াপুৰী, ২৯ অক্টোবৰ ঃ** সৃজনগ্ৰামৰ আলোকঝাৰীত নিৰ্মাণ কৰা হ'ব কোচ ৰাজবংশী জাতিৰ পিতামহ স্বৰূপ প্ৰয়াত ফণী মেধিৰ আবক্ষ মূৰ্তি। কোচ ৰাজবংশী উন্নয়ন পৰিষদে ২০ লাখটকীয়া এক আচঁনিৰে আলোকঝাৰীৰ এখন শিক্ষানুষ্ঠানৰ সমীপত নিৰ্মাণ কৰিব প্ৰতিমূৰ্তিটো। সেই উদ্দেশ্য আগত ৰাখি আজি আলোকঝাৰী বজাৰগৃহত অনুষ্ঠিত হয় এখন ৰাজহুৱা সভা। স্থানীয় বয়োজ্যেষ্ঠ লোক নৃপেন ৰায়ৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাখনত কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ হৈ ৰাণাদিত্য বৰ্মন উপস্থিত থাকে। সভাত তেওঁ ৰাইজৰ আগত নামনি অসমৰ যিকোনো আন্দোলনত, যিকোনো ৰাজহুৱা কামত কোচ ৰাজবংশী জাতিৰ লোকৰ অবদান অন্য জাতিৰ লোকতকৈ অধিক। আলফাতো ৰাজবংশী জাতিৰ লোক, আছুতো কোচ ৰাজবংশী জাতিৰ বহু লোক আছিল। কিন্তু বিভিন্ন কাৰণত জাতিটোক এচাম লোকে তলত ৰাখিব খুজি আছে। সেই কামক প্ৰতিহত কৰিবৰ বাবে ফণী মেধীয়ে যিবোৰ প্ৰচেষ্টা হাতত লৈছিল, সেই প্ৰচেষ্টাৰ ফলত কোচৰাজবংশী জাতিৰ স্বগোষ্ঠীও সংগ্ৰাম খনে ঠন ধৰি উঠিছিল বুলি তেও মন্তব্য দিয়ে। সেই সভাতে ৰাইজে আবক্ষ মূৰ্তি নিৰ্মাণ কাৰ্যত সহায় সহযোগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত সভাত প্ৰয়াত ফণী মেধীৰ জীয়ৰী তথা সুলেখিকা অগ্নিশিখা মেধী, ডাঃ ভাস্কৰ মেধী, ছদ্মনাৰায়ণ দাস, অৱনি দাস, দীনেশ সৰকাৰ, ৰবিন্দ্ৰ নাৰায়ণ দেৱ, মনোমোহন ৰায়, শ্যামল নাৰায়ণ দেৱ, নাৰায়ণ মেধী, ভুৱন ৰাজবংশী, অভিজিৎ ৰায়, উমাকান্ত ৰায়, মনোজ ৰাজবংশী, ৰজনী ৰায়, ধীৰেশ্বৰ ৰায়, ৰাজেশ্বৰ ৰায় প্ৰমুখ্যে আন বহু লোক উপস্থিত থাকে। সেই সভাতে আইনৈৰ ওপৰত থকা বৰঘোলা-কাহিবাৰী দলংখন বা বৰঘোলা-তুলুঙীয়া ৰাস্তাটো প্ৰাক্তন বিধায়ক, তথি কোচৰাজবংশী জাতিৰ পিতামহ স্বৰূপ প্ৰয়াত ফণী মেধীৰ নামৰে নামকৰণ কৰাৰ বাবে চৰকাৰৰ ওছৰত দাবী উংখাপন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## দেৰগাঁৱৰ আমগুৰিত বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু মহিলাৰ

**অসম বাৰ্তা, দেৰগাঁও, ২৯ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ দেৰগাঁৱৰ আমগুৰিত বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হয় ৰুবি পেগু নামৰ এগৰাকী মহিলাৰ। পুৱাই স্থানীয় লোকে বিদ্যুৎৰ তাঁৰত লাগি থকা অৱস্থাত প্ৰত্যক্ষ কৰে মহিলা গৰাকীক। সোমবাৰে পুৱা কামলৈ যোৱা অৱস্থাত সংঘটিত হয় এই অবাঞ্চিত ঘটনাটো। দেৰগাঁৱৰ বিদ্যুৎ বিভাগৰ গাফিলতিৰ বাবেই ঘটনাটো সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। ৰাস্তাৰ কাষতে থকা বিদ্যুৎৰ ট্ৰান্সফৰমাৰটো অসাৱধান ভাৱে ৰখা কথাটো বহুবাৰ বিদ্যুৎ বিভাগৰ কৰ্মচাৰীক অৱগত কৰিছিল যদিও কোনো গুৰুত্ব নিদিয়াৰ উঠিছে অভিযোগ। যাৰ ফলত এনে দৰে এগৰাকী মহিলাই কৰুণ মৃত্যুক সাৱটিব লগীয়া হয়। ৰাজ্যত বছৰ বছৰ ধৰি চলি থকা বিদ্যুৎ চুৰি কাৰ্যই এনেদৰে নিৰীহ লোকৰ প্ৰাণহানি কৰাৰ ঘটনাই সম্প্ৰতি বিদ্যুৎ বিভাগৰ বিফলতাকে উদঙাই দিছে বুলিও সচেতন মহলে উত্থাপন কৰিছে অভিযোগ। সম্প্ৰতি, এই ঘটনাটোক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে অঞ্চলটোত।

# নগাঁৱৰ চকৰিগাঁৱত কলংপৰীয়া শাখা সাহিত্য সভাৰ উদ্যোগত গীত-মাত-নৃত্যৰে মুখৰিত ৩২ সংখ্যক 'সাঁকো আলোচনা চক্ৰ'ৰ সাহিত্যানুষ্ঠান

### লেখিকা অমিয়া গোস্বামীৰ গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, পুৰণিগুদাম, ২৯ অক্টোবৰ ঃ** অসম সাহিত্য সভাৰ অন্যতম অগ্ৰণী শাখা নগাঁৱৰ 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ উদ্যোগত 'সাঁকো আলোচনা চক্ৰ'ৰ ৩২ সংখ্যক বৈঠকখনি ২৬ অক্টোবৰৰ বিয়লি শাখাটোৰ প্ৰাক্তন উপ-সভাপতি তথা চকৰিগাঁও নিবাসী কুমুদ চন্দ্ৰ বৰাৰ বাসগৃহ প্ৰাংগণত অনুষ্ঠিত হয়। কলংপৰীয়া শাখা সাহিত্য সভাৰ বৰ্তমানৰ সভাপতি গোলাপ বৰাৰ সভাপতিত্বত আৰু সাঁকো আলোচনা চক্ৰৰ সঞ্চালক তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষা ৰিণ্টু দাসৰ সঞ্চালনাত অনুষ্ঠিত হোৱা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে 'সাঁকো আলোচনা চক্ৰ'ৰ সম্পাদক বসন্ত কৌশিক ভাগৱতীয়ে। সভাৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে শাখাৰ প্ৰাক্তন সভাপতি ক্ৰমে কমলা কান্ত বৰা, শৈলেন্দ্ৰ গোস্বামী আৰু থুলেশ্বৰ বৰাই। ইয়াৰ পিছতে ৰুবী বৰা, নৱমল্লিকা কাশ্যপ, দীপশিখা শৰ্মা, শিল্পীশিখা বৰা আৰু মিতালী বৰাৰ কণ্ঠত সুধাকণ্ঠ আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কেইবাটাও গীত পৰিৱেশনেৰে শিল্পী দুগৰাকীলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। সভাত জুবিন গাৰ্গৰ সম্পৰ্কত বিস্তৃতভাৱে আলোকপাত কৰে বিশিষ্ট লেখক চিদানন্দ দেৱ গোস্বামীয়ে আৰু বিশ্ববৰেণ্য কণ্ঠশিল্পী ড° ভূপেন হাজৰিকাৰ বিষয়ে আলোচনা আগবঢ়ায় অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট লেখক মোহিনী মোহন ডেকাই। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়েও সভাত অংশগ্ৰহণ কৰি এক মনোজ্ঞ ভাষণ প্ৰদান কৰে। উক্ত সভাতে অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই লেখিকা অমিয়া গোস্বামীৰ শিশু উপন্যাস "কুঁহেলিকা" উন্মোচন কৰি ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ নিয়মীয়া শিতানত প্ৰিয়াঙ্কু শৰ্মা, ৰিণ্টু দাস, জেউতি হাজৰিকা, দিপিকা বৰা, গোলাপ বৰা, মিনা বৰা, মালা বৰুৱা, অংকিতা ভট্টাচাৰ্য, খগেন্দ্ৰ নাথ, মাধৱী দাস, কুমাৰ বিভূতি, বসন্ত কৌশিক ভাগৱতী, চিনু ৰাজখোৱা লস্কৰ, দিপালী দেৱী, বিজয়া তামোলী, পৰী নেওগ, দীপজ্যোতি শইকীয়া আদিয়ে ভিন্ন লেখা পাঠ কৰে। অনুষ্ঠানত আবৃত্তি পৰিবেশন কৰে মল্লিকা শইকীয়া ফুকন, জুৰণি প্ৰিয়া বৰা, মোদিতা কলিতা আৰু প্ৰতিভা ভাগৱতীয়ে। দিগন্ত ভাগৱতী, নৱমল্লিকা কাশ্যপ, শিশুশিল্পী দস্মিতা শইকীয়া আৰু দেৱাংশ্ৰী বৰাই গীত পৰিৱেশনেৰে সজীৱ কৰি তোলা এই অনুষ্ঠানতে নৃত্য পৰিৱেশন কৰে ক্ৰমে নয়না নন্দিনী বৰা, অভিলাষা শইকীয়া আৰু দেৱব্ৰত বৰাই। নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ হাজৰিকা, সহঃসম্পাদক প্ৰিয়াঙ্কু শৰ্মা, পুণিৰাম শইকীয়া, ৰমেশ চন্দ্ৰ ভৰালী, মিত্ৰ কমল বৰা, বৈজয়ন্তী খাউণ্ড, কুশেশ্বৰ বৰা, অজিত কুমাৰ শৰ্মা, দিলীপ চন্দ্ৰ শইকীয়া, তৰামাই বৰা, নয়ন জ্যোতি নেওগ, মনীষা বৰকটকী, নিখিল কলিতা, প্ৰণৱ কুমাৰ বৰা, শিৱ প্ৰসাদ বৰাৰ লগতে নগাঁও জিলা সাহিত্য সভাৰ কেইবাটাও শাখাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। ইফালে, পঠিত লেখা সমূহৰ এটি চমু অৱলোকন আগবঢ়ায় গোলাপ বৰা (কনিষ্ঠ)ই। সভাৰ শলাগৰ শৰাই আগবঢ়ায় কুমুদ বৰাই। শেষত সভাপতি আৰু সঞ্চালকৰ মন্তব্যৰ পাছতেই জাতীয় সংগীত পৰিৱেশনেৰে সভা ভঙ্গ কৰা হয়।

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত নিযুত মইনা আঁচনি-২.০ৰ চেক বিতৰণ



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ অক্টোবৰ ঃ** অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অভিলাষী আঁচনি 'নিযুত মইনা-২.০-ৰ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানব' সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ চেক বিতৰণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ শক্তি, দক্ষতা বিকাশ, উদ্যমিতা আৰু চিকিৎসা শিক্ষা বিভাগৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে এইদৰে কয়। মুখ্যদ্বাৰৰ পৰা গায়ন-বায়ন আৰু এন চি চিব কেডেটে উষ্ম আদৰণী জনাই অনা অনুষ্ঠানটিত মন্ত্ৰী ফুকনে ছাত্ৰীসকলক উদ্দেশ্যি কয় যে অসমৰ দৰে ৰাজ্যত যদিও অৰ্থনৈতিক সমস্যাক শিক্ষাৰ প্ৰধান অন্তৰায় হিচাপে গণ্য কৰা হয়, তথাপিও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে যোৱা সময়ছোৱাত লোৱা ব্যাপক প্ৰগতিশীল আঁচনিসমূহে শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া এই অন্তৰায়ক বহু ক্ষেত্ৰত সমাধান কৰিববলৈ সক্ষম হৈছে। তাৰে এটা জ্বলন্ত উদাহৰণ হ'ল মুখ্য মন্ত্ৰীৰ নিযুত মইনা আঁচনি। মন্ত্ৰী ফুকনে কয়-ৰাজ্যৰ প্ৰায় দশ লাখ ছাত্ৰীক সামৰি আৰম্ভ হোৱা এই আঁচনিয়ে নিম্ন মধ্যবিত্ত আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালৰ ছাত্ৰী সকলৰ শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা সমূহক অতি ফলপ্ৰসূ হিচাপে পৰিগণিত হৈছে। অধ্যাপক শিৱনাথ চুতীয়াই আঁত ধৰা অনুষ্ঠানটিত মন্ত্ৰীগৰাকীয়ে কয়- বাল্যবিবাহ বোধক প্ৰধান লক্ষ্য হিচাপে লৈ আৰম্ভ হোৱা এই অভিলাষী আঁচনিখনে জনসাধাৰণৰ ব্যাপক সঁহাৰি লাভ কৰি দ্বিতীয় বৰ্ষৰ সংস্কৰণত ইতিমধ্যেই পাঁচ লক্ষাধিক ছাত্ৰীক সামৰি লৈছে। প্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি কয়- মুখ্যমন্ত্ৰীৰ নিযুত মইনাৰ দৰে আচনিয়ে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০-ৰ নামভৰ্তিৰ গড় অনুপাত বৃদ্ধি কৰাৰ যি অভিলাষী উদ্দেশ্য সেয়া সফল কৰাত উল্লেখযোগ্য অৰিহণা আগবঢ়াব। অধ্যক্ষগৰাকীয়ে লগতে কয়-এই আঁচনিয়ে ছাত্ৰীসকলৰ আধাতে শিক্ষা ব্যৱস্থাৰ পৰা আঁতৰি যোৱা যি প্ৰৱণতা সেয়া বোধ আৰু ছাত্ৰীসকলক শিক্ষা ব্যৱস্থাৰ পৰিসীমাৰ ভিতৰত সক্ৰিয়ভাৱে অন্তৰ্ভুক্ত কৰি মানৱ সম্পদৰ এক অনবদ্য অংগ হিচাপে গঢ়ি তোলাত উল্লেখ্যযোগ্য অৱদান আগবঢ়াব। মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত অনুষ্ঠানত মহাবিদ্যালয়ৰ স্নাতক প্ৰথম, তৃতীয় বৰ্ষ আৰু স্নাতকোত্তৰ প্ৰথম আৰু তৃতীয় বৰ্ষৰ আঠশ সাতানব্বৈ গৰাকী ছাত্ৰীক মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি-২.০-ৰ চেক বিতৰণ কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত ডিব্ৰুগড় জিলাৰ অতিৰিক্ত আয়ুক্ত (শিক্ষা) বিৰাজ বৰুৱা, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু আঠ শতাধিক ছাত্ৰী উপস্থিত থাকে। শেষত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপিকা ড° জুৰী বৰুৱাই।

# কাকপথাৰ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ দশম দ্বি-বাৰ্ষিক অধিৱেশনৰ লাইখুঁটা স্থাপন



**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৯ অক্টোবৰ ঃ** সদৌ অসম চুতীয়া ছাত্ৰ সন্থা, কাকপথাৰ আঞ্চলিক সমিতিৰ দশম দ্বি-বাৰ্ষিক অধিৱেশনখনি অহা ২ নৱেম্বৰত এদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ডিৰাক-সীমান্তৱৰ্তী শাখা চুতীয়া ছাত্ৰ সন্থাৰ আতিথ্যত ডিৰাক-সীমান্তৱৰ্তী আঞ্চলিক চুতীয়া জাতি সন্মিলন আৰু স্থানীয় ৰাইজৰ সহযোগত নৱজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ সামূহিক কেন্দ্ৰৰ প্ৰাংগণত অনুডষ্ঠিত হব। এই উপলক্ষে আজি নৱজ্যোতি গাঁৱৰ শতাধিক ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত মাংগলিক কৰ্মৰে লাইখুঁটা স্থাপন কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বীৰাংগনা সাধনীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ, সংগীত সূৰ্য জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, বৃক্ষৰোপণ কাৰ্যসূচীৰ পাছতেই কাকপথাৰৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী শান্তি হাজৰিকা সোঁৱৰণী মূল মঞ্চ উদ্বোধন, দিনৰ ১১ বজাৰ পৰা চিত্ৰাংকণ, কুইজ আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দুপৰীয়া ১২ বজাত কাকপথাৰ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভা অনুষ্ঠিত হব। সন্ধিয়া ৫ বজাত মুকলি আৰু বঁটা বিতৰণী সভা, বিশিষ্ট ব্যক্তিৰ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানৰ উদ্বোধন কৰিব চুতীয়া উন্নয়ন পৰিষদৰ উপাধ্যক্ষ জ্যোতিপ্ৰসাদ চুতীয়াই। মুখ্য অতিথিৰূপে উপস্থিত থাকিব সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি মহেন বৰা। মুকলি সভাত শিক্ষাবিদ, সাংবাদিকৰ লগতে অসমৰ বিভিন্ন জাতীয়-জনগোষ্ঠীয় দল-সংগঠনৰ নেতৃবৰ্গৰ লগতে চুতীয়া জনগোষ্ঠীৰ কেওটা সংগঠনৰ নেতৃবৃন্দ উপস্থিত থাকিব। চুতীয়া জনগোষ্ঠীৰ লোক নৃত্য প্ৰদৰ্শনৰ পাছতেই সন্ধিয়া ৮ বজাত সংগীত সূৰ্য জুবিন গাৰ্গ সোঁৱৰণী "মায়াবিনী" সন্ধিয়াৰে অধিৱেশনৰ সামৰণি পৰিব। অধিৱেশনৰ সকলো কাৰ্যসূচী সফলতাৰে অনুষ্ঠিত কৰাত জাতি-বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলোৰে সহায়-সহযোগ তথা উপস্থিতি কাকপথাৰ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ উপদেষ্টা সত্যব্ৰত চুতীয়া, ভাৰপ্ৰাপ্ত সভাপতি বিতোপন চুতীয়া আৰু সাধাৰণ সম্পাদক আদিত্য চুতীয়াই আন্তৰিকতাৰে কামনা কৰিছে।

**শিশুলীলা প্ৰদৰ্শনত অভিনয় কৰিব ভ্ৰাম্যমাণ আৰু বোলছবি জগতৰ জনপ্ৰিয় অভিনেতাই**

# তামোলীছিগাত ২৮ সংখ্যক ৰাসোৎসৱৰ বৰ্ণাঢ্য আয়োজন

**অসম বাৰ্তা, জাঁজী, ২৯ অক্টোবৰ ঃ** যোৰহাট জিলাৰ তামোলীছিগা আঞ্চলিক ৰাসোৎসব আৰু কলা কৃষ্টি কেন্দ্ৰৰ উদ্যোগত তামোলী ছিগা ৰাস মন্দিৰত ১৯৯৮ চনৰ পৰা একাদিক্ৰমে ২৭ বছৰ ধৰি উদযাপন কৰি অহা হৈছে। এইবাৰো অহা ৪ আৰু ৫ নৱেম্বৰত দুদিনীয়া বিস্তৃত কাৰ্য্যক্ৰমণিকাৰে সমূহ ৰাইজৰ সহযোগত উদযাপন কৰিববলৈ লোৱা হৈছে। কাৰ্য্যসূচী অনুসৰি ৪ নৱেম্বৰ পুৱা উষা কীৰ্ত্তন, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, শিল্পী প্ৰয়াত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, শৰাই অৰ্পণ, নাম প্ৰসংগ, কীৰ্তন পাঠ, ১০০ গৰাকী মহিলাৰ দ্বাৰাই দিহানাম পৰিবেশন, হোৱাৰ পাছতেই সন্ধিয়া ৰাস পূজা আৰম্ভ হব। সমান্তৰাল ভাবে নিশা ৮ বজাত গায়ন বায়ন পৰিবেশনৰ পাছত শ্ৰী শ্ৰী কৃষ্ণৰ শিশু লীলা প্ৰদৰ্শন কৰা হব। অনুষ্ঠানত উদ্বোধক হিচাপে উপস্থিত থাকিব মৰিয়নী সমষ্টিৰ বিধায়ক ৰূপ জ্যোতি কুৰ্মী। আনহাতে কৃষ্ণৰ শিশুলীলা প্ৰদৰ্শনৰ মুখ্য আকৰ্ষণ হব ভ্ৰাম্যমাণ আৰু বোলছবি জগতৰ জনপ্ৰিয় অভিনেতা তথা ৰং চেনেলৰ প্ৰচাৰিত ধাৰাবাহিক ভাড়াঘৰৰ মুন- দেৱাশীশ বৰঠাকুৰ আৰু ত্ৰিদিশা বৰঠাকুৰৰ অভিনয়। ইয়াৰোপৰি ৫ নৱেম্বৰ অন্যান্য কাৰ্য্যসূচীৰ লগতে নাম প্ৰসংগ অনুষ্ঠিত হব আৰু নিশা ৮ বজাৰ পৰা স্থানীয় তথা আমন্ত্ৰিত শিল্পীৰ দ্বাৰাই "শ্ৰী শ্ৰী কৃষ্ণৰ মহা ৰাস" প্ৰদৰ্শন হব। সেয়েহে দুইদিনৰ কাৰ্য্যসূচী সফল ৰূপায়ণ কৰিববলৈ তামোলীছিগা আঞ্চলিক ৰাসোৎসব কাৰ্য্যকৰি সমিতিৰ হৈ সভাপতি মাধুৰ্য্য চাংকাকতি, সম্পাদক ঋতুৰাজ শৰ্মা আৰু উদযাপন সমিতিৰ সভাপতি ঘন গগৈ, কাৰ্য্যকৰি সভাপতি মাখন বৰা, যুটীয়া সম্পাদক- ৰূপম বৰা আৰু ধ্ৰুৱ জ্যোতি চাৰিঙিয়াই ৰাইজৰ সহযোগিতা কামনা কৰিছে।

**সেনা-আৰক্ষীৰ অভিযান অব্যাহত**

# তিনিচুকীয়াত পুনৰ আলফা স্বাধীনৰ সদস্যৰ আত্মসমৰ্পণ



**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৯ অক্টোবৰ ঃ** আলফা স্বাধীনৰ বিৰুদ্ধে সেনা-আৰক্ষীৰ অভিযান অব্যাহত থকাৰ মাজতে আজি তিনিচুকীয়াত আলফা স্বাধীনৰ এজন অতি সক্ৰিয় কেডাৰে আত্মসমৰ্পণ কৰে। কেডাৰজনৰ নাম সমীৰণ চেতিয়া ওৰফে প্ৰবীণ অসম বুলি জানিব পৰা গৈছে। আজি তিনিচুকীয়া আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰা আলফা স্বাধীনৰ সক্ৰিয় কেডাৰ সমীৰণ চেতিয়াই ২০২২ চনত আলফা স্বাধীনত যোগদান কৰিছিল বুলি জানিব পৰা গৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত অভিযান চলাইছিল তিনিচুকীয়া আৰক্ষী আৰু নিৰাপত্তাৰক্ষী বাহিনীয়ে। এই অভিযান কালতে আত্মসমৰ্পণ কৰে আলফা স্বাধীনৰ কেডাৰ প্ৰবীণ অসম ওৰফে সমীৰণ চেতিয়াই। কেডাৰজনৰ ঘৰ তিনিচুকীয়া জিলাৰ জাগুনত। ২০২২ চনত আলফা সংগঠনত যোগদান কৰাৰ পূৰ্বে তেওঁ নগা উগ্ৰপন্থী সংগঠন এন এছ চি এন ৰ সৈতে জড়িত আছিল বুলিও জানিব পৰা গৈছে। নিৰাপত্তাৰক্ষী বিষয়াসকলে কয় যে এই আত্মসমৰ্পণ উজনি অসমত চলি থকা উগ্ৰপন্থী বিৰোধী অভিযানৰ আন এক সফলতা। উল্লেখ্য যে, এই ঘটনাৰ এদিনৰ পূৰ্বে অৰুণাচল আৰক্ষী আৰু অসম ৰাইফলছৰ অভিযানত গ্ৰেপ্তাৰ হৈছিল আলফা স্বাধীনৰ অন্যতম দুৰ্ধৰ্ষ কেডাৰ থাওচেন অসম ওৰফে অনুপম দহোটীয়া। থাওচেন অসমৰ পৰা আৰক্ষীয়ে এম কিউ চিৰিজৰ এটা বন্দুক, ১৫১ জাঁই সজীৱ গুলী, এটা আৰ পি জি, এটা বটল গ্ৰেণেড জব্দ কৰিছিল। আলফা স্বাধীনৰ এই কেডাৰজন কাকপথাৰৰ সেনা চাউনিৰ আক্ৰমণত জড়িত আছিল বুলি সন্দেহ কৰা হৈছে।

# সিদলসতীত আঠদিনীয়া আৰু বটগুৰিত পাঁচদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হ'ল জগদ্ধাত্ৰী পূজা মহোৎসৱ

**অসম বাৰ্তা, অভয়াপুৰী, ২৯ অক্টোবৰ ঃ** সিদলসতীৰ জগদ্ধাত্ৰী মন্দিৰ আৰু বটগুৰিৰ জগদ্ধাত্ৰী মন্দিৰত আজিৰে পৰা বিভিন্ন কাৰ্যসূচীৰে আৰম্ভ হ'ল জগদ্ধাত্ৰী পূজা মহোৎসৱ। সিদলসতীৰ জগদ্ধাত্ৰী পূজা মহোৎসৱখন আঠদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আৰু বটগুৰিৰ জগদ্ধাত্ৰী পূজা মহোৎসৱখন পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিব। সিদলসতী জগদ্ধাত্ৰী পূজা মহোৎসৱৰ কাৰ্যসূচী মতে আজি ৰাতিপুৱা মন্দিৰ পৰিৱেশ নিকাকৰণ কৰি দুপৰীয়াৰ ভাগত মন্দিৰ শুদ্ধিকৰণ কৰা হয়। বিয়লি স্থাপন কৰা হয় মা জগদ্ধাত্ৰী দেৱীৰ মৃণ্ময় প্ৰতিমা, তাৰ পাছত সন্ধিয়া আলোচনা চক্ৰ আৰু অধিবাসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজিৰ দিনটো তেনেকৈ পালন কৰাৰ পাছত কাইলৈ পুৱতি নিশা ৪: ৩০ বজাৰ পৰা আৰম্ভ হ'ব মা জগদ্ধাত্ৰী দেৱীৰ পূজা। পূজা চলি থকাৰ সমান্তৰালকৈ চলিব আই নাম, ধৰ্মগ্ৰন্থ পাঠ। পূজাৰ অন্তত পুষ্পাঞ্জলি, বিয়লিৰ পৰা ৰংগীলা কাৰ্যসূচী, সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী পালন কৰা হ'ব। এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব সমাজকৰ্মী অমৃত ভূষণ ফৌজদাৰে, তাৰ পাছত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি প্ৰদান কাৰ্যৰ শুভাৰম্ভ কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক কান্তেশ্বৰ ৰায়ে। ৩১ অক্টোবৰ আৰু ১ নৱেম্বৰত ৰাতিপুৱা পূজা অৰ্চনা, নাম, ভাগৱত পাঠ, দিনৰ গান, ৰংগীলা কাৰ্যসূচী আৰু নিশা যাত্ৰাভিনয় পৰিৱেশন কৰা হ'ব। ২ নৱেম্বৰত ৰাতিপুৱা পূজা অৰ্চনা, নাম, ধৰ্মগ্ৰন্থ পাঠ আৰু সন্ধিয়া ৰংগীলা কাৰ্যসূচীৰে সেইদিনাৰ কাৰ্যসূচীৰ সামৰণি পৰিব। ৩.৪ আৰু ৫ নৱেম্বৰত ৰাতিপুৱা পূজা অৰ্চনা, মাংগলিক কাম আৰু বিয়লি ৰংগীলা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই তিনিদিনত ৰাজমুকুট থিয়েটাৰে নাট পৰিৱেশন কৰিব। যাৰবাবে পূজা সমিতি এই তিনিদিনত নিশাৰ কাৰ্যসূচী হাতত ৰখা নাই। ৫ নৱেম্বৰত ৰাতিপুৱা পূজা অৰ্চনাৰ লগতে মাংগলিক কাৰ্যাদি সম্পন্ন কৰাৰ পিছত নিশা পৰিৱেশন কৰা হ'ব যাত্ৰাভিনয় আৰু এই কাৰ্যসূচীৰ পাছতে সামৰণি পৰিব সিদলসতী জগদ্ধাত্ৰী পূজা মহোৎসৱৰ। আনহাতে বটগুৰি জগদ্ধাত্ৰী পূজা মহোৎসৱৰ কাৰ্যসূচী আৰম্ভ কৰে ৰাতিপুৱাৰ ভাগত। আজি ৰাতিপুৱা চাফাই কৰ্মৰ পাছত গংগাজল অনায়ন কাৰ্যসূচীৰ ৰূপায়ণ কৰি মন্দিৰ শুদ্ধিকৰণ কৰি সন্ধিয়া অধিবাসৰ মাংগলিক কাৰ্যাদি সম্পন্ন কৰা হয় আৰু অধিবাস কাৰ্যসূচীৰ পাছতে আজিৰ দিনটোৰ সামৰণি পৰে। কাইলৈ মহোৎসৱৰ দ্বিতীয় দিনাখত ৰাতিপুৱা পূজা অৰ্চনা, নাম, ধৰ্মগ্ৰন্থ পাঠ, পুষ্পাঞ্জলি বীৰ নাম দ'লৰ নাম পৰিৱেশন, সংবৰ্ধনা আদিৰে কাইলৈ দিনটোৰ সামৰণি পৰিব। পৰহি অৰ্থাৎ ৩১ অক্টোবৰৰ কাৰ্যসূচী মতে ৰাতিপুৱা পূজা অৰ্চনা, মাংগলিক আৰু ৰংগলী কাৰ্যসূচী আৰু নিশা যাত্ৰাভিনয় পৰিৱেশনৰে দিনটোৰ সামৰণি পৰিব। ১ নৱেম্বৰত ৰাতিপুৱা পূজা অৰ্চনা, আই নাম, ভাগৱত পাঠ আৰু বিয়লি ডবা নাম আৰু ২ নৱেম্বৰত ৰাতিপুৱা দেৱী বিসৰ্জন, সেন্দূৰ খেল, বিয়লি ৰংগীলা অনুষ্ঠান আৰু নিশা সাংস্কৃতিক অনুষ্ঠানৰ পাছত সামৰণি পৰিব বটগুৰি জগদ্ধাত্ৰী পূজা মহোৎসৱৰ।

# ডিব্ৰুগড়ত অসম গৃহৰক্ষী বাহিনীৰ চাকৰি নিয়মীয়াকৰণ, নতুন প্ৰশিক্ষণ বন্ধকে ধৰি কেবাটাও দাবীত সংবাদমেল




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ অক্টোবৰ ঃ** সদৌ অসম প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী সংস্থা আৰু সদৌ অসম গৃহৰক্ষী স্বেচ্ছাসেৱক কল্যাণ সন্থাৰ আজি ডিব্ৰুগড় বৃহত্তৰ প্ৰেছ ক্লাৱত এক সংবাদমেল জৰিয়তে গৃহৰক্ষী বাহিনীত প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী স্বেচ্ছাসেৱক, সেৱিকা সকলৰ বিভিন্ন সমস্যাৰে জৰ্জড়িত আৰু সমস্যা সমূহ নিৰ্মূলকৰণৰ বাবে সংশ্লিষ্ট বিভাগৰ লগতে অসমৰ মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীক বিষয় সমূহ সমাধানৰ বাবে আহ্বান জনায়। বিগত সময়চোৱাত সংস্থাই বিভিন্ন মাধ্যমেৰে গৃহৰক্ষী স্বেচ্ছাসেৱক সকলৰ মৌলিক সমস্যা সমূহৰ সমাধানৰ বাবে চৰকাৰ তথা বিভাগীয় বিষয়া আমোলাবৰ্গক অৱগত কৰি বহুবাৰ চৰকাৰৰ লগত আলোচনাত মিলিত হৈছিল যদিও আজিকোপতি কোনো এখন চৰকাৰে মৌলিক সমস্যা সমূহ সমাধানৰ দিশে আগবঢ়া পৰিলক্ষিত নহ'ল বুলি অভিযোগ কৰে। বৰ্তমান চৰকাৰখনে একপক্ষীয় ভাৱে হঠকাৰি সিদ্ধান্তৰে ১৯৪৭ চনৰ গৃহৰক্ষী আইনখন ২০১৫ চনত সংশোধিত নিয়মাৱলীক ধূলিসাৎ কৰি বিভিন্ন সময়ত নানা নীতি নিয়ম জাপি দি অসম গৃহৰক্ষী বাহিনীৰ প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী, স্বেচ্ছাসেৱক সেৱিকাৰ মুঠ ২৬, ৬৯৬ গৰাকী আৰু ইয়াৰ পৰিবৰ্তে কৰ্তব্যত মকৰলৰ পদৰ সংখ্যা মুঠ প্ৰায় ১৬, ৫০০। ইয়াৰে অসম পুলিচৰ অধীনত আছে প্ৰায় ১০, ৫০০ জন। ব্যক্তিগত খণ্ডৰ অনুষ্ঠান, প্ৰতিষ্ঠান আৰু কাৰ্য্যালয়ত আছে প্ৰায় ৬, ০০০ জন। কৰ্তব্যত মকৰল হোৱাৰ পৰা কৰ্মহীন হৈ, বছৰ বছৰ ধৰি ঘৰত বহি থাকিবলগীয়া হয় প্ৰায় ৮, ১৯৬ জন। এনে এক সন্ধিক্ষণত অসম গৃহৰক্ষী বাহিনীত নতুনকৈ ৫, ০০০ যুৱক-যুৱতীক গৃহৰক্ষী প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থাত চৰকাৰে হাততলোৱা কাৰ্য সন্থাই কোনো ক্ষেত্ৰতে মানি নলয় বুলি স্পষ্ট অভিযোগ কৰে। অবিভক্ত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত বৰ্তমান গৃহৰক্ষী স্বেচ্ছাসেৱক - সেৱিকাৰ সংখ্যা ২, ৯২৭ জন, তাৰ বিপৰিতে কৰ্মক্ষেত্ৰত নিয়োজিত হৈ আছে ২, ৩৬৭জন আৰু ৫৬০জন কৰ্মহীন হৈ ঘৰতে বহি থাকিব লগীয়া হৈছে। আনহাতে অসমৰ প্ৰতিজন প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী স্বেচ্ছাসেৱক, সেৱিকাৰ অন্ন, বস্ত্ৰ, বাসস্থান আৰু বৃদ্ধ পিতৃ-মাতৃ তথা ল'ৰা-ছোৱালীৰ ভৱিষ্যত উন্নয়ন আৰু কল্যাণৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ ২৬, ৬৯৬জন গৃহৰক্ষী স্থায়ী নিয়োগৰ ব্যৱস্থা নকৰা পৰ্য্যন্ত নতুনকৈ ৫, ০০০ যুৱক-যুৱতীক অসম গৃহৰক্ষী বাহিনীত প্ৰশিক্ষণৰ সিদ্ধান্তক বাতিল কৰিবলৈ অনুৰোধ জনায় চৰকাৰক। অন্যথা অনাগত দিনত উক্ত বিষয় সন্দৰ্ভত অসম চৰকাৰে মানি নল'লে ২৬, ৬৯৬ গৰাকী প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী স্বেচ্ছাসেৱক, সেৱিকাৰ লগতে সমূহ পৰিয়াল বৰ্গই গণতান্ত্ৰিক আন্দোলন কৰিবলৈ বাধ্য হ'ব বুলি জানিবলৈ দিছে। ইয়াৰ উপৰিও গণতান্ত্ৰিক কাৰ্যসূচী ৰূপায়ণত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হলে সন্থা জগৰীয়া নহয়। বৰং ইয়াৰ বাবে সম্পূৰ্ণ জগৰীয়া হ'ব মুখ্যমন্ত্ৰী লগতে বিভাগীয় মন্ত্ৰী ৰূপেশ গোৱালা আৰু অসম চৰকাৰৰ গৃহবিভাগ।

# মোৰাঝাৰ আৰক্ষীয়ে জেললৈ প্ৰেৰণ কৰিলে প্ৰৱঞ্চকৰূপী মাটিৰ দালালক

**অসম বাৰ্তা, ডবকা, ২৯ অক্টোবৰ ঃ** হোজাইৰ মোৰাঝাৰ আৰক্ষীয়ে মাটি দালালিকে ধৰি ভূমি নথি জালিয়াতি কৰাৰ অভিযোগত এজন লোকক ২৭ অক্টোবৰত আটক কৰিছিল। আজি আটক কৰা সূতাৰপুৰৰ চৈয়দ ইছমাইল আলীক জেললৈ প্ৰেৰণ কৰে। উল্লেখ্যোযে ৰাচিৰ আলীসহ পাচঁজনকৈ লোকে মোৰাঝাৰ থানাত দিয়া এজাহাৰৰ ভিত্তিত মোৰাঝাৰ আৰক্ষীয়ে ২২৪/২৫ নং গোচৰ পঞ্জীয়ন কৰি 419/420/406 ধাৰাৰ অধীনত সেইদিনা শংকৰদেৱনগৰ আদালতত হাজিৰ কৰি দুদিনৰ জিম্মাত আনিছিল। আজি জিম্মা উকলি যোৱাত আদালতৰ যোগেদি লোকজনক জেললৈ প্ৰেৰণ কৰে। কেৱল এইসকলেই নহয় সূতাৰপুৰৰ মাৰ্জান আহমেদেও এইলোকজনকে ধৰি কেইবাজনোৰো ওপৰত একে অভিযোগ তুলি এজাহাৰ দাখিল কৰা বুলি জানিব পৰা গৈছে। দীৰ্ঘবছৰৰ পৰা ডবকা চাৰ্কোল অফিচৰ মানুহ বুলি জাহিৰ মাৰি সাধাৰণ গএগা ৰাইজক ঠগি আহিছিল লোকজনে। এইবাৰ আৰক্ষীৰ জালত পৰাৰ পিছতে সাংবাদিকৰ আগতে দুজনকৈ লাট মণ্ডলক এই প্ৰৱঞ্চনাৰ ধনৰ অংশ দিয়ে বুলি বিস্ফোৰক স্বীকাৰোক্তি দিয়ে। আৰক্ষীয়ে এই গোচৰটো উচিত তদন্ত কৰিলে বহু ৰৌ বৰালি জালত পৰাৰ সম্ভৱণা আছে বুলি একাংশ সচেতন ৰাইজে মত পোষণ কৰে।

**সহস্ৰাধিক ভক্তৰ অংশগ্ৰহণ; "ভাগৱত মানুহ জীৱনৰ মুক্তিৰ প্ৰধান পথ" ঃ জ্যোতি প্ৰসাদ দাস**

# নামনি মাজুলীৰ বেবেজীয়া গাঁৱত তিনিদিনীয়া ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান আৰম্ভ

**অসম বাৰ্তা, উজনী মাজুলী, ২৯ অক্টোবৰ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ কৰতিপাৰ গাঁও পঞ্চায়তৰ বেবেজীয়া গাঁৱত আজিৰ পৰা তিনিদিনীয়াকৈ ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান আৰম্ভ হৈছে। বেবেজীয়া বৰ নামঘৰত আজি পুৱাৰ পৰা আৰম্ভ হোৱা উক্ত আধ্যাত্মিক অনুষ্ঠান উপলক্ষে আজি পুৱা উষা কীৰ্তনৰে শুভাৰম্ভ কৰা হয়। তাৰপিছত প্ৰাত প্ৰসঙ্গ, পৰিৱেশ নিকাকৰণৰ পাছত গছপুলি ৰোপণ কৰে স্থানীয় অৱসৰপ্ৰাপ্ত শিক্ষক সুৰেন লেখাৰু আৰু মাজুলী আঞ্চলিক পঞ্চায়তৰ উপ সভাপতি চন্দ্ৰেশ্বৰ কুলিয়ে। তাৰপিছত ধৰ্মধ্বজা উত্তোলন কৰে মাজুলী জিলা একশৰণ ভাগৱতী সমাজৰ সভাপতি ত্ৰিণয়ন হাজৰিকাই। তাৰপিছত বন্তি ভকত আদৰণী জনোৱা হয়। পুৱা দহ বজাত নামঘৰত বন্তি প্ৰজ্বলন কৰে নামঘৰীয়া সভাৰাম ভঁৰালী আৰু সহযোগী নগেন দাসে। তাৰপিছত মধ্যাহ্ন নাম প্ৰসঙ্গ আৰম্ভ হয়। দুপৰীয়া এঘাৰ বজাত মূল বেদীত ভাগৱত প্ৰতিষ্ঠা কৰে মাজুলী জিলা একশৰণ ভাগৱতী সমাজৰ বূঢ়াভকত ভীমেশ্বৰ মেধি আৰু শিৱৰাম দাসে। বিয়লি এক বজাত তত্ত্বগধুৰ ভাষণৰে ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান উদ্বোধন কৰে একশৰণ ভাগৱতী সমাজ-অসমৰ যুটীয়া সচিব হাঁহিৰাম দাসে। উক্ত, ভাগৱত পাঠ আৰু অনুষ্ঠানৰ আঁত ধৰে উদ্‌যাপন সমিতিৰ সম্পাদক প্ৰেম কান্ত মেধিয়ে। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে মাজুলীৰ বিধায়ক ভুবন গাম, বিশিষ্ট অতিথি হিচাপে সমাজকৰ্মী বীৰেন শইকীয়া, মাণিক শইকীয়া দেৱ মূদৈ, ঋতুপৰ্ণ শৰ্মা আদিৰ লগতে একশৰণ ভাগৱতী সমাজৰ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বূঢ়াভকত, নামাচাৰ্যসকলে অংশগ্ৰহণ কৰে। বিয়লি দুই বজাৰ পৰা ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান আৰম্ভ হয়। একশৰণ ভাগৱতী সমাজৰ মাজুলী জিলাৰ সম্পাদক সুনীল দাসে আঁত ধৰা উক্ত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানত মুখ্য ব্যাখ্যাকাৰক হিচাপে একশৰণ ভাগৱতী সমাজ-অসমৰ প্ৰধান সচিব জ্যোতিপ্ৰসাদ দাসে অংশগ্ৰহণ কৰি ভাগৱতৰ তত্ত্ব কথাৰ সাৱলীলভাৱে ব্যাখ্যা কৰে। তেওঁ ভাগৱত পাঠ জীৱ জগতৰ মুক্তিৰ প্ৰধান উপায় বুলি উল্লেখ কৰে। প্ৰধান সচিব দাসে ভাগৱত মহাশাস্ত্ৰ সৃষ্টিৰ ৰহস্যসমূহো ব্যাখ্যা কৰে। অনুষ্ঠানত একশৰণ ভাগৱতী সমাজৰ সহকাৰী সচিব বাপুকণ দাস, গুৱাহাটী জিলা সমিতিৰ সম্পাদক মহেন্দ্ৰ ডেকা, মঙ্গলদৈৰ পালনাম আচাৰ্য উপেন্দ্ৰজিৎ শইকীয়া, দক্ষিণ কামৰূপৰ বূঢ়াভকত ৰমাডেকা বৰা, কৰ্মেশ্বৰ ৰাভা, শৰণ প্ৰশিক্ষক নন্দেশ্বৰ হাজৰিকা, ধেমাজিৰ বূঢ়াভকত পুহেশ্বৰ দাস, জালুগুটিৰ বিপুল দাস, মাজুলীৰ বূঢ়াভকত ৰাজেন ভঁৰালী আদিয়ে অংশগ্ৰহণ কৰে। আজিৰ আৰম্ভণি অনুষ্ঠানত শ শ লোকে বন্তি, ধূপ দীপ জ্বলাই, শৰাই আগবঢ়াই ঈশ্বৰৰ আশীৰ্বাদ ভিক্ষা কৰে। উক্ত, উদ্বোধনী অনুষ্ঠানৰ পাছতে ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান আৰম্ভ হয়। কাইলৈও ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ ক্ৰমশ দিন আৰু ৩১ অক্টোবৰত সামৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব। সামৰণী অনুষ্ঠানত পুৱা নাম প্ৰসঙ্গৰ পাছত ভাগৱত শোভাযাত্ৰা আৰু সন্ধিয়া দিব্যজ্যোতি দাস আৰু পৰায়ালবৰ্গই আগবঢ়োৱা ভাওনা "ৰাম পৰাজয় সীতাৰ পাতাল গমন" ভাওনা প্ৰদৰ্শন কৰা হ'ব।

# চেলেংহাটৰ পদুমনিত পঞ্চম বাৰ্ষিক ৰাস মহোৎসৱৰ আয়োজন

**অসম বাৰ্তা, আমগুৰি, ২৯ অক্টোবৰ ঃ** যোৰহাট জিলাৰ বৃহত্তৰ চেলেংহাট অঞ্চলত ৰাস মহোৎসৱৰ বাটকটীয়া স্বৰূপ পদুমনি ৰাস মহোৎসৱে পঞ্চম বাৰ্ষিকত ভৰি দিবলৈ সক্ষম হৈছে। সপ্তধ্বনি চাৰুকলা আৰু সংগীত বিদ্যালয়ৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত আগন্তুক ২২ আৰু ২৩ নৱেম্বৰ তাৰিখে পদুমণি হাইস্কুল খেলপথাৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে এই ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি ২২ নৱেম্বৰ তাৰিখে পুৱা ৮ বজাত মূল সমিতিৰ সভাপতি ঋতু বুঢ়াগোহাঁইয়ে পতাকা উত্তোলন আৰু উদযাপন সমিতিৰ সভাপতি প্ৰমোদ শইকীয়াই ধৰ্মধ্বজা উত্তোলন কৰিব। তাৰপিছত উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি অখিল প্ৰদীপ নেওগে স্মৃতি তৰ্পন আৰু সদ্য প্ৰয়াত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। সত্যজিত ফুকন আৰু আনোৱাৰ হুঁছেইনে বৃক্ষৰোপণ কৰাৰ পিছত নাম প্ৰসংগ আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। চিত্ৰাংকন প্ৰতিযোগিতাৰ উদ্বোধন কৰিব পদুমণি উচ্চ মাধ্যমিক বিদ্যালয়ৰ উপ-প্ৰধান শিক্ষক প্ৰসন্ন শইকীয়াই। বিয়াৰ ৪: ৩০ বজাত লাহিং জিলা পৰিষদৰ সদস্য ৰাজেন গগৈয়ে বন্তি প্ৰজ্বলন কৰিব। সন্ধিয়া ৫ বজাত শিশু সাহিত্যিক অৰূপ জ্যোতি হাজৰিকাই শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ উদ্বোধন কৰিব। স্থানীয় শিল্পীৰ দ্বাৰা মঞ্চস্থ হ'বলগীয়া ৰাসলীলাৰ পৰিচালনাৰ দায়িত্বত আছে মুনিন্দ্ৰ গগৈ আৰু দেৱবিকাশ দত্ত। সেইদৰে ২৩ নৱেম্বৰত নাম প্ৰসংগৰ পিছত নিশা ৮ বজাত বৈকুণ্ঠ সাংস্কৃতিক গোষ্ঠী, লুখুৰাখনৰ শিশু শিল্পীসকলৰ দ্বাৰা অভিনীত আৰু অংকুৰ ফুকন পৰিচালিত "দক্ষ যজ্ঞ" ভাওনা প্ৰদৰ্শন কৰা হ'ব। ভাওনাৰ উদ্বোধন কৰিব মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। উদ্‌যাপন সমিতিয়ে ৰাস মহোৎসৱৰ দুয়ো দিনৰ সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে।

# গোৱালপাৰাত মানৱ সৰবৰাহ বিৰোধী সজাগতা সভা

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৯ অক্টোবৰ ঃ** সম্প্ৰতি বিশ্বজুৰি সৃষ্টি হোৱা সমস্যা "মানৱ সৰবৰাহ"ৰ বিষয়ে সজাগতা সৃষ্টি কৰি ইয়াক প্ৰতিৰোধ কৰাৰ বাবে আজি গোৱালপাৰাৰ নটসূৰ্য ফণী শৰ্মা প্ৰেক্ষাগৃহত এখনি সজাগতা সভা অনুষ্ঠিত কৰা হয়। অসম ৰাজ্যিক মহিলা আয়োগৰ উদ্যোগত গোৱালপাৰা জিলা প্ৰশাসনে আয়োজন কৰা এই সজাগতামূলক সভাখনত গোৱালপাৰাৰ জিলা আয়ুক্ত শ্ৰী প্ৰদীপ টিমুং, জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব জাহ্নৱী দেৱী, জিলা অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰিতুৰাজ দলে, মুখ্য জিলা আইন সেৱা পৰামৰ্শদাতা ড° দেৱজিৎ অধিকাৰী, অসম ৰাজ্যিক মহিলা আয়োগৰ সদস্যা মণিকা বৰা, অধিবক্তা সঞ্জয় শৰ্মা, জিলা শিশু সুৰক্ষা বিষয়া মোস্তাফা হুছেইন, সহকাৰী আয়ুক্ত নিশামণি কলিতা আদিয়ে অংশগ্ৰহণ কৰে। বহু কেইগৰাকী সক্ৰিয় সমাজ কৰ্মী, জ্যেষ্ঠ নাগৰিক, বিভিন্ন বিভাগৰ কাৰ্যালয়ৰ বিষয়া- প্ৰতিনিধি, গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত সমূহৰ প্ৰতিনিধি, অংগনবাড়ী কৰ্মী, আত্মসহায়ক গোটৰ সদস্য, বেচৰকাৰী সংস্থা আদিয়ে এই সজাগতা সভাখনত অংশগ্ৰহণ কৰে। সভাৰ আৰম্ভণিতে জিলা আয়ুক্ত মহোদয়ে আদৰণি ভাষণ প্ৰদান কৰে। তেখেতে মানৱ সৰবৰাহ সমস্যাটোৰ বিভিন্ন কাৰক আৰু ইয়াৰ সমাধানৰ বাবে সমাজত সজাগতাৰ যে অতি প্ৰয়োজন আছে সেই বিষয়ে উল্লেখ কৰে। দুষ্ট চক্ৰই শিশুৰ লগতে মহিলাসকলৰ বিভিন্ন দুৰ্বলতাৰ সুযোগ লৈ মানৱ সৰবৰাহ কৰে বুলি উল্লেখ কৰি তেখেতে ইয়াৰ বাবে সকলোকে সজাগ হ'বলৈ আহ্বান জনায়। সভাখনত মানৱ সৰবৰাহৰ বিষয়ে বিতংকৈ বিশ্লেষণ কৰে জিলা আইন সেৱা প্ৰাধিকৰণ, গোৱালপাৰাৰ মুখ্য পৰামৰ্শদাতা ড° দেৱজিৎ অধিকৰীয়ে। তেখেতে, অসমৰ লগতে গোৱালপাৰা জিলাতো সংঘটিত হোৱা মানৱ সৰবৰাহ ঘটনাৰ বিৱৰণ দি ইয়াক প্ৰতিৰোধৰ বাবে সজাগতাৰ গুৰুত্ব অধিক বুলি মন্তব্য কৰে। তেখেতে উল্লেখ কৰে যে - শিশু, মহিলা তথা দুৰ্বল শ্ৰেণীৰ লোক সকলক লক্ষ্য কৰি মানৱ সৰবৰাহৰ যি বিশাল ব্যৱসায়িক জাল সৃষ্টি হৈছে ইয়াক ৰাষ্ট্ৰ সংঘয়েও গুৰুত্ব প্ৰদান কৰি ইয়াক এক গোলকীয় সমস্যা বুলি ঘোষণা কৰিছে। এই সমস্যাটো প্ৰতিৰোধ কৰাৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ লোক সজাগ হব লাগিব বুলি তেখেতে মন্তব্য কৰে। সভাখনত অংশগ্ৰহণ কৰা গোৱালপাৰাৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব জাহ্নৱী দেৱী সভাত তথ্য সম্বলিত ভাষণ প্ৰদান কৰে। জিলা শিশু সুৰক্ষা বিষয়া মোস্তাফা হুছেইন আৰু ৰাজ্যিক মহিলা আয়োগৰ সদস্যা মণিকা বৰায়ো সভাখনত ভাষণ প্ৰদান কৰে।

## বিজেপি চৰকাৰক লৈ বিৰোধী দল আৰু সাংস্কৃতিক মহলৰ তীব্ৰ সমালোচনা

# জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় প্ৰদানত চৰকাৰৰ লেহেমীয়া গতি

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৯ অক্টোবৰ ঃ** অসমৰ সংগীতৰ সম্ৰাট জনপ্ৰিয় গায়ক জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুক লৈ ৰাজ্য জুৰি এক আলোড়ন সৃষ্টি হৈছে। দিনদিনে তীব্ৰ হৈ অহা স্থানীয় প্ৰতিবাদ আৰু সামাজিক মাধ্যমৰ প্ৰতিক্ৰিয়াই এতিয়া ৰাজনীতিক ক্ষেত্ৰতো তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বহুজনৰ অভিযোগ, বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে ঘটনাটোক যথাযথ গুৰুত্ব নিদি ৰাজনৈতিক পন্থাৰে মোখনি মাৰিবলৈ চেষ্টা কৰি আছে। বিৰোধী দলসমূহে উল্লেখ কৰিছে যে জুবিন গাৰ্গৰ মৃত্যুৰ অনুসন্ধানত চৰকাৰী সংস্থাই নিষ্ক্ৰিয়তা দেখুৱাইছে। কংগ্ৰেছ, ৰাইজৰ দল, আৰু অন্যান্য দলৰ নেতাসকলে কৈছে যে চৰকাৰে ন্যায় প্ৰদানত বিলম্ব কৰি জনতাৰ বিশ্বাস হেৰুৱাইছে। তেওঁলোকৰ বক্তব্য অনুসৰি, জুবিন গাৰ্গ কেৱল এজন গায়ক নহয়, তেওঁ আছিল অসমৰ সাংস্কৃতিক আত্মা, অসমীয়া সমাজৰ আবেগৰ প্ৰতীক। সেইবাবে তেওঁৰ মৃত্যুৰ সঠিক তদন্ত নোহোৱাটো সকলোৰে বাবে অপমানজনক। আনহাতে, সাংস্কৃতিক ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলেও চৰকাৰক লক্ষ্য কৰি তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে। অসমৰ বিশিষ্ট সংগীতজ্ঞ আৰু নাট্যকাৰ কিছুমানে কৈছে যে, “চৰকাৰে যদি সঁচাকৈয়ে শিল্পী সমাজৰ সন্মান কৰে, তেনে হ’লে এই ঘটনাৰ মূল সত্য উন্মোচনত কোনো ধৰণৰ প্ৰতিৰোধ নকৰিব। জুবিন গাৰ্গ অসমবাসীৰ হৃদয়ত জীৱিত আছে, কিন্তু সেই জীৱন্ত সন্মানক ন্যায়ৰ দ্বাৰাই ৰক্ষা কৰাটো চৰকাৰৰ নৈতিক দায়িত্ব।” অসংখ্য অনুৰাগীয়ে অঞ্চলজুৰি মোমবাতি সমদল, ন্যায়ৰ দাবী সম্বলিত ধৰ্ণা আৰু প্ৰতিবাদ অব্যাহত ৰাখিছে। সামাজিক মাধ্যমসমূহত #JusticeForZubeen গুৰুত্বপূৰ্ণ ৰূপে ট্ৰেণ্ড কৰি আছে। বহুজন শিল্পী, সাহিত্যিক আৰু সাংবাদিকে মন্তব্য কৰিছে যে এই বিষয়ত চৰকাৰৰ ধীৰ গতি সন্দেহজনক, আৰু এক নিৰপেক্ষ তদন্ত দল গঠন কৰা হ’ব লাগিব যʼত ৰাজনৈতিক প্ৰভাৱ নাথাকে। উদ্বিগ্ন পৰিস্থিতি চত্বেও ৰাজ্য চৰকাৰে এতিয়ালৈকে কোনো স্পষ্ট প্ৰমাণ বা বিবৃতি জনোৱা নাই, যাৰ ফলস্বৰূপে জনতাৰ ক্ষোভ তীব্ৰ হ’বলৈ ধৰিছে। কিছু নাগৰিকে উল্লেখ কৰিছে যে, “অসমে নিজৰ সন্তানক হেৰুৱাইছে, সেই সন্তানৰ ন্যায়ৰ দাবি আমি ন্যায় নোপোৱা পৰ্যন্ত চৰকাৰৰ ওচৰত কৰি যাম। অসমৰ বিভিন্ন জিলা আৰু নগৰত এটাই কথা উত্থাপন হৈছে যে — জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ক লৈ যি আন্দোলন আৰম্ভ হৈছে, জুবিন গাৰ্গে ন্যায় নোপোৱালৈকে এই আন্দোলন থমকি নৰয়। সাংস্কৃতিক সমাজ আৰু বিৰোধী দলসমূহে পুনৰ ৰাজ্য চৰকাৰক আহ্বান জনাইছে, তেওঁলোক ৰাজনীতিৰ মঞ্চৰ পৰা নামি জনতাৰ আবেগক সন্মান কৰি তদন্তৰ ফলাফল অতি শীঘ্ৰে প্ৰকাশ কৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদান কৰক।”

## মাজুলীক মীন ক্ষেত্ৰত আদৰ্শ জিলা হিচাপে গঢ়ি তোলাৰ আশ্বাস

# মাজুলীত মীনপালক সন্মিলন




**অসম বাৰ্তা, উজনী মাজুলী, ২৯ অক্টোবৰ ঃ** মাজুলী জিলা মীন পালকৰ উদ্যোগত আৰু জিলা মীন বিভাগৰ সহযোগত আজি মাজুলীত প্ৰথমবাৰৰ বাবে এখনি মীনপালক সন্মিলন অনুষ্ঠিত হয়। শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ মুকলি মঞ্চত অনুষ্ঠিত সন্মিলনখনিৰ আঁত ধৰে জিলা মীন বিভাগৰ কৰ্মচাৰী পিংকী শইকীয়াই। মাজুলীৰ বিভিন্ন প্ৰান্তৰ প্ৰায় পাঁচশতাধিক মীনপালকে অংশ লোৱা সন্মিলনখনিত অংশ লৈ ৰাজ্যৰ মীন বিভাগৰ সঞ্চালক গৌৰীশংকৰ দাসে মীন ক্ষেত্ৰখনত মাজুলীক এক আদৰ্শ জিলা হিচাপে গঢ়ি তোলাৰ আশ্বাস প্ৰদান কৰে। অনুষ্ঠানত মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে জিলা প্ৰশাসন, মীনপালক তথা মীন বিভাগৰ সহযোগত নগাঁৱৰ মাছ বন্ধ কৰি মাজুলীৰ মাছেৰে মাজুলীৰ চাহিদা পুৰাব পৰাকৈ মাজুলী আগবাঢ়িছে বুলি প্ৰকাশ কৰে। বিধায়ক ভুবন গামে মাজুলীৰ মীন, পৰ্যটন, কৃষি সকলো ক্ষেত্ৰখনলৈ পৰিবৰ্তন অনাৰ ক্ষেত্ৰত কাম কৰি থকা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু বিদায়ী জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসক ধন্যবাদ জনায়। মাজুলীয়ে বৰ্তমান বাহিৰৰ পৰা অহা মাছৰ পোনা বন্ধ কৰি মাজুলীতে দহ কোটি মাছৰ পোনা উৎপাদন কৰিবলৈ সক্ষম হোৱা বুলি ব্যক্ত কৰে। মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° আনন্দ হাজৰিকাই মাছৰ পোনাৰ ক্ষেত্ৰত মাজুলী স্বনিৰ্ভৰশীল হোৱাৰ দৰে অচিৰেই মাছৰ ক্ষেত্ৰতো হোৱাৰ আশা প্ৰকাশ কৰে। সন্মিলনখনিত ভাগ লৈ স্বেচ্ছাসেৱী সংগঠন কলং কপিলীৰ সঞ্চালক জ্যোতিষ তালুকদাৰ, মাজুলী মহাবিদ্যালয়ৰ অধ্যাপক ড° ৰাজেন বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক ৰঞ্জিৎ দলে, ৰেনুমালা দত্ত, দেৱজিৎ হাজৰিকা আৰু মাজুলীৰ লগতে ধেমাজিৰ কেবাগৰাকী মীনপালকে বক্তব্য প্ৰদান কৰে। আজিৰ অনুষ্ঠানত মাজুলী জিলাৰ মুখ্য কোষাগাৰ গাণনিক পবিত্ৰ মেধীক মাজুলী জিলাৰ মৎস্য ক্ষেত্ৰৰ উন্নয়নত আগবঢ়োৱা সহায় সহযোগিতাৰ বাবে বিশেষ ভাৱে সম্বৰ্ধনা জনাই। অনুষ্ঠানত চিৰাম হাইস্কুলৰ ছাত্ৰী অনুস্প্ৰীয়া শইকীয়াই এটি গুৰুবন্দনা পৰিৱেশন কৰে। সন্মিলনখনিত জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেন তকবি, অতিৰিক্ত আয়ুক্ত সৰোজ সোণোৱাল, অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া জগত দুৱৰীয়া, সত্ৰীয়া প্ৰভাত বৰা বুঢ়াভকত, জিলা মীন বিষয়া ভদ্ৰেশ্বৰ মিলি, বিশিষ্ট পোনা উৎপাদক প্ৰাঞ্জল বৰাকে ধৰি জিলা প্ৰশাসন, মীন বিভাগৰ বিষয়া-কৰ্মচাৰী সকল উপস্থিত থাকে।

# আইনাম আৰু বিয়ানাম প্ৰতিযোগিতাত পুৰণিগুদামৰ শতৰূপা মহিলা দলৰ সাফল্য

**অসম বাৰ্তা, পুৰণিগুদাম, ২৯ অক্টোবৰ ঃ** অসম প্ৰাদেশিক মহিলা সমিতিৰ শতবৰ্ষ উপলক্ষে নগাঁও জিলা মহিলা সমিতিৰ উদ্যোগত অসমীয়া লোকসাহিত্যৰ অন্যতম অংগ লোকগীত সমূহৰ ভিতৰত বৰ্তমান চৰ্চাৰ অভাৱত বিলুপ্তিৰ দিশলৈ অগ্ৰসৰ হোৱা অনুষ্ঠানমূলক লোকগীত ক্ৰমে আইনাম, বিয়ানাম আৰু নিচুকণি গীতৰ প্ৰতিযোগিতাখনি যোৱা ২৬ অক্টোবৰত নগাঁৱৰ ৰেডক্ৰছ চাৰিআলিৰ সমীপৰ নগাঁও জিলা মহিলা সমিতিৰ কাৰ্যালয়ত দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। নগাঁও জিলাৰ বিভিন্ন ঠাইৰ পৰা প্ৰতিটো শাখাতে প্ৰায় পছিশটাৰো অধিক প্ৰতিযোগী দলে এই আইনাম, বিয়ানাম আৰু নিচুকণি গীতৰ(এককভাৱে) প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। উক্ত প্ৰতিযোগিতাত নগাঁও জিলাৰ পুৰণিগুদামৰ কেএগ্ৰাপটিৰ শতৰূপা মহিলা দলে দলীয়ভাৱে আইনাম আৰু বিয়ানাম দুয়োটা প্ৰতিযোগিতাতে দ্বিতীয় স্থান দখল কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। শতৰূপা মহিলা দলটোক প্ৰতিনিধিত্ব কৰা মহিলাসকল আছিল ক্ৰমে কল্পনা শৰ্মা, মিনু শৰ্মা, পঙ্কজা শৰ্মা, প্ৰণতি শৰ্মা, ত্ৰিবেণী শৰ্মা আৰু পৰী বৰঠাকুৰ। লগতে শতৰূপা মহিলা দলটিৰ পৰী বৰঠাকুৰে নিচুকণি গীত প্ৰতিযোগীতত (এককভাৱে) দ্বিতীয় স্থান দখল কৰি সুনাম অৰ্জন কৰে।

# ক্ৰামবিল গাঁৱৰ একাংশ লোক PMAY ঘৰৰ জিঅʼ টেগিংৰ পৰা বঞ্চিত

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৯ অক্টোবৰ ঃ** গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত কচুগাঁও সমষ্টিৰ মক্ৰামবিল গাঁৱৰ একাংশ লোক কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী আবাস যোজনা (PMAY) আঁচনিৰ ঘৰৰ জিঅ টেগিংৰ সুবিধাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উঠিছে। গাঁৱবাসীৰ অভিযোগ অনুসৰি নতুনকৈ চলি থকা জিঅ টেগিং কাৰ্যত বহু যোগ্য আৰু আৰ্থিকভাৱে দুখীয়া পৰিয়ালৰ নাম বাদ দিয়া হৈছে। ইয়াৰ ফলত মক্ৰামবিল গাঁৱৰ ৰাইজৰ মাজত গভীৰ ক্ষোভ সৃষ্টি হৈছে। উল্লেখযোগ্য যে ২০২০ চনত কচুগাঁও সমষ্টিখনত UPPL দলৰ প্ৰাক্তন এক্সিকিউটিভ মেম্বাৰ (E.M) উকিল মুছাহাৰী বিজয়ী হৈছিল। কিন্তু স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি উকিল মুছাহাৰীয়ে সমষ্টিখনত কোনো উল্লেখযোগ্য উন্নয়নমূলক কাম সম্পন্ন নকৰাৰ ফলত ৰাইজে আশাহত হৈছিল। পিছত বহু আশা—আকাংক্ষা লৈ ৰাইজে বৰ্তমানৰ শিক্ষা বিভাগৰ এক্সিকিউটিভ মেম্বাৰ (Education E.M) ৰবিৰাম নাৰ্জাৰীক ভোট দি বিজয়ী কৰায়। কিন্তু ৰাইজৰ মতে চৰকাৰ আৰু স্থানীয় প্ৰতিনিধিৰ পৰিবৰ্তন হʼলেও গাঁৱৰ অৱস্থা একে ধৰণৰেই আছে। গাঁওবাসীয়ে অভিযোগ কৰিছে যে হাগ্ৰামা মহিলাৰীৰ নেতৃত্বাধীন দল একেদৰে সকলো জাতি—জনগোষ্ঠীৰ উন্নতিৰ কথা কৈ আহিছে, কিন্তু মাটিৰ স্তৰত দলীয় হাংগু পুংগুৰে দুখীয়া লোকক আঁচনিৰ পৰা বঞ্চিত কৰি চলিছে। এই পৰিস্থিতিত গাঁৱবাসীয়ে কচুগাঁও সমষ্টিৰ পৰা নিৰ্বাচিত হোৱা এমচিএলএ তথা ই, এম ৰবিৰাম নাৰ্জাৰীক অতি সোনকালেই PMAY ঘৰৰ জিঅ টেগিংৰ সমস্যাটো সমাধান কৰিবলৈ আহ্বান জনায়। গাঁৱবাসীয়ে কয় যদি অতি সোনকালেই এই সমস্যা সমাধান নহয়, তেন্তে আগন্তুক ২০২৬ চনৰ নিৰ্বাচনত ভোট বৰ্জন কৰিব বুলি মত প্ৰকাশ কৰে।

# সিদলসতীত আঠদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰিছে জগদ্ধাত্ৰী পূজা মহোৎসৱৰ

**অসম বাৰ্তা, অভয়াপুৰী, ২৯ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ সিদলসতীত ২৯ অক্টোবৰৰ পৰা ৫ নৱেম্বৰলৈকে আঠদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিব জগদ্ধাত্ৰী পূজা মহোৎসৱ। পূজা পৰিচালনা সমিতিৰ সভাপতি হিতেশ বৰ্মনে জনোৱা মতে অহা ২৯ তাৰিখৰ বিয়লি ৪: ৩০ বজাত স্থাপন কৰা হʼব মা জগদ্ধাত্ৰী দেৱীৰ মৃণ্ময় প্ৰতিমা, তাৰ পাছত সন্ধিয়া আলোচনা চক্ৰ আৰু অধিবাসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হʼব। ৩০ অক্টোবৰৰ পুৱতি নিশা ৪: ৩০ বজাৰ পৰা আৰম্ভ হʼব মা জগদ্ধাত্ৰী দেৱীৰ পূজা। পূজা চলি থকাৰ সমান্তৰালকৈ চলিব আই নাম, ধৰ্মগ্ৰন্থ পাঠ। পূজাৰ অন্তত পুষ্পাঞ্জলি, বিয়লিৰ পৰা ৰংগীলা কাৰ্যসূচী, সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী পালন কৰা হʼব। এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব সমাজকৰ্মী অমৃত ভূষণ চৌধুৰীয়ে, তাৰ পাছত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি প্ৰদান কাৰ্যৰ শুভাৰম্ভ কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক কান্তেশ্বৰ ৰায়ে। ৩১ অ”োবৰ আৰু ১ নৱেম্বৰত ৰাতিপুৱা পূজা অৰ্চনা, নাম, ভাগৱত পাঠ, দিনৰ গান, ৰংগীলা কাৰ্যসূচী আৰু নিশা যাত্ৰাভিনয় পৰিৱেশন কৰা হʼব। ২ নৱেম্বৰত ৰাতিপুৱা পূজা অৰ্চনা, নাম, ধৰ্মগ্ৰন্থ পাঠ আৰু সন্ধিয়া ৰংগীলা কাৰ্যসূচীৰে সেইদিনাৰ কাৰ্যসূচীৰ সামৰণি পৰিব। ৩, ৪ আৰু ৫ নৱেম্বৰত ৰাতিপুৱা পূজা অৰ্চনা, মাংগলিক কাম আৰু বিয়লি ৰংগীলা কাৰ্যসূচী ৰূপায়ণ কৰা হʼব। এই তিনিদিনত ৰাজমুকুট থিয়েটাৰে নাট পৰিৱেশন কৰিব। যাৰবাবে পূজা সমিতি এই তিনিদিনত নিশাৰ কাৰ্যসূচী হাতত ৰখা নাই। ৫ নৱেম্বৰত ৰাতিপুৱা পূজা অৰ্চনাৰ লগতে মাংগলিক কাৰ্যাদি সম্পন্ন কৰাৰ পিছত নিশা পৰিৱেশন কৰা হʼব যাত্ৰাভিনয় আৰু এই কাৰ্যসূচীৰ পাছতে সামৰণি পৰিব সিদলসতী জগদ্ধাত্ৰী পূজা মহোৎসৱৰ। পূজাখন সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে ৰাইজে ইতিমধ্যে হিতেশ বৰ্মনক সভাপতি, নন্দ কোঁৱৰ শৰৎ বৰ্মন আৰু চন্দ্ৰমোহন ৰায়ক উপ সভাপতি, হৰিফুকন সৰকাৰক সম্পাদক, দিগম্বৰ ডেকা আৰু ৰাজকুমাৰ বৰ্মনক সহকাৰী সম্পাদক, ক্ষীৰেণ বৰ্মন আৰু চিলাৰায় ৰায়ক কাৰ্যালয়ক সম্পাদক হিচাপে লৈ মূল সমিতিখন গঠন কৰা হৈছে। আনহাতে ধনঞ্জয় বৰ্মনক দেবাৰ্চনা বিভাগৰ মুখ্য দায়িত্ব দি দেবাৰ্চনা বিভাগৰ উপ সমিতিখন, হিতেশ বৰ্মন (ভূএগ্ৰা)ক মুখ্য দায়িত্ব দি অভ্যৰ্থনা বিভাগৰ উপ সমিতিখন, বিজু ৰায়ক মুখ্য দায়িত্ব দি বিত্ত বিভাগৰ উপ সমিতিখন, ৰূপনাথ ৰায়ক মুখ্য দায়িত্ব দি খাদ্য বিভাগৰ উপ সমিতিখন গঠন কৰা হৈছে। ইয়াৰ উপৰি আন উপ সমিতিবোৰো গঠন কৰা হৈছে। পৰিচালনা সমিতিখনে সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# গোলাঘাটত পিতৃ হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ড

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৯ অক্টোবৰ ঃ** পিতৃক দাৰে ঘপিয়াই হত্যা কৰা এজন কুলাংগাৰ পুত্ৰক আজি গোলাঘাটৰ ছেছন আদালতে যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। জানিব পৰা মতে জিলা সত্ৰ ন্যায়াধীশ আদালতৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ মহমদ আব্দুলা আহমেদৰ আদালতে আজি এই গুৰুত্বপুৰ্ণ ৰায়দান প্ৰদান কৰে। পিতৃক হত্যা কৰাৰ চাঞ্চল্যকৰ ঘটনাৰ ৰায়দান কৰি হত্যাকাৰী পুত্ৰ পিকু বৰাক যাৱজ্জীৱন কাৰাদণ্ড বিহাৰ লগতে আদালতে উপযুক্ত জৰিমণা বিহে। উল্লেখযোগ্য যে, গোলাঘাটৰ জোতিনগৰত ২০২৪ বৰ্ষৰ ১১ মাৰ্চত সংঘটিত হৈছিল এক লোমহৰ্ষক হত্যাকাণ্ড। ঘৰত কোনো নথকাৰ সুযোগত পুত্ৰ পিকু বৰাই দাৰে ঘপিয়াই হত্যা কৰিছিল পিতৃ বাবুল বৰাক। হত্যাকাৰী পিকুয়ে ইয়াৰ পিছতে পিতৃৰ মৃতদেহ নিজ ঘৰৰ ভিতৰতে এটা গাঁত খান্দি পুতি থৈ এখন বিছনাৰে দি ঢাকি থৈছিল। তেনে সময়তে মাতৃ ঘৰলৈ আহি সমগ্ৰ ঘটনা প্ৰত্যক্ষ কৰে আৰু কুলাংগাৰ পুত্ৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। এই চাঞ্চল্যকৰ ঘটনাৰ তদন্তৰ পাছত আজি গোলাঘাটৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ আদালতে ৩০২ ধাৰাত হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ডৰ লগতে ৩০ হাজাৰ টকা জৰিমনা বিহাৰ লগতে ৩০১ ধাৰাত তিনিমাহ কাৰাদণ্ড আৰু ১০ হাজাৰ টকা জৰিমনা বিহে।

# ‘শিকলি’ৰ উদ্যোগত পূব-লাহিংত কাঁচি আৰু গ্ৰন্থ বিতৰণ

**অসম বাৰ্তা, আমগুৰি, ২৯ অক্টোবৰ ঃ** সমাজৰ এনে কিছুমান ব্যক্তি আছে যিসকলক কোনো আঁচনিৰে সামৰিব নোৱাৰে। এনে ক্ষেত্ৰত টীয়কৰ এক সামাজিক অনুষ্ঠান “শিকলি”য়ে বহু জনকল্যাণমূলক কাম কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তাৰে ভিতৰত অবিবাহিত মহিলা আৰু বিধৱা মহিলাক স্বাৱলম্বন কৰিবৰ বাবে হাঁহ কুকুৰা, কাঁচি আৰু গো-পালকক কোৰ, কটাৰি, শাৰীৰিক ভাৱে সক্ষম ব্যক্তিৰ হুইল শ্বেয়াৰ, ট্ৰাই চাইকেল আৰু নামঘৰৰ নামঘৰীয়াক টৰ্চ লাইট আদি বিতৰণ কৰাৰ লগতে নামঘৰত চাকি বন্তি জ্বলাবৰ নিমিত্তে কপাহৰ টোপোলা প্ৰদান কৰি আহিছে। এই কাৰ্যসূচীৰ অংশ স্বৰূপে ২৬ অক্টোবৰত মৰিয়নি সমষ্টিৰ পূব লাহিংৰ টীপমীয়াত অবিবাহিত মহিলা আৰু বিধবা বিবাহৰ মাজত ত্ৰিশখনকৈ কাঁচি বিতৰণ কৰে। চেলেংহাট অঞ্চলৰ সমাজকৰ্মী উৎপল গগৈ, সংগীতা কুৰ্মীৰ উপস্থিতত এই বিতৰণ কাৰ্যসূচী সম্পন্ন হয়। টীয়ক প্ৰেছক্লাবৰ সভাপতি বিজু তনুৱাল, শিকলিৰ অন্যতম সদস্য সুশান্ত বৰবৰা, সমাজকৰ্মী অসীম বৰুৱা উপস্থিত হৈ শিকলিৰ কৰ্মকৰ্তাক উৎসাহিত কৰে। প্ৰায় শতাধিক ৰাইজ উপস্থিত থকা এই কাৰ্যসূচীত গ্ৰন্থ পঢ়ক আৰু পঢ়ুৱাওক সজাগতাৰ কাৰ্যসূচী হিচাপে টীপমীয়াৰ শতাধিক ছাত্ৰ-ছাত্ৰীৰ মাজত গ্ৰন্থ প্ৰদান কৰা হয়।

# বাল্য বিবাহ ৰোধৰ শ্ৰেষ্ঠ উত্তম পদক্ষেপ অধ্যয়নৰ বাবে হৰিয়ানাৰ এটা দলৰ কামৰূপ জিলা ভ্ৰমণ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৯ অক্টোবৰ ঃ** হাৰিয়ানা চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ যুটীয়া সঞ্চালক ডাঃ পূনম ৰামানৰ নেতৃত্বত চাৰিজনীয়া এটা দলে আজি কামৰূপ জিলা ভ্ৰমণ কৰি বাল্য বিবাহ প্ৰতিৰোধৰ বাবে কামৰূপ জিলাত গ্ৰহণ কৰা উত্তম পদক্ষেপ আৰু সৰ্বশ্ৰেষ্ঠ অনুশীলনসমূহ অধ্যয়ন কৰে। উক্ত দলে আজি কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যলয়ৰ সভাকক্ষত কামৰূপৰ অতিৰিক্ত জিলা আয়ুক্ত সুজাতা গগৈ, কামৰূপৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সোমালিন শুভদৰ্শিনী, ৰিয়ানা চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ যুটীয়া সঞ্চালক ডাঃ পূনম ৰামান লগতে মহিলা আৰু শিশু উন্নয়ন বিভাগৰ প্ৰকল্প বিষয়া ডাঃ কললেশ ৰাণা, ঘৰুৱা হিংসা পৰামৰ্শদাতা পূজাৰ লগতে প্ৰগ্ৰাম মেনেজমেণ্ট ইউনিটৰ পৰামৰ্শদাতা সুষমা, জিলা সমাজ কল্যাণ বিষয়া ভূপেন ভট্টাচাৰ্যৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, স্বাস্থ্য, ধৰ্ম গুৰু আদিৰ লগতে বাল্য বিবাহৰ অন্ত পেলোৱাৰ বাবে জিলা পৰ্যায়ৰ অংশীদাৰসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত কামৰূপ জিলা প্ৰশাসনৰ বিষয়াসকলে বাল্য বিবাহ ৰোধ কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ, উদ্ভাৱনীমূলক কৌশল, আন্তঃবিভাগীয় সমন্বয় আৰু সম্প্ৰদায়ভিত্তিক হস্তক্ষেপ আদি বিশদ বাবে উপস্থাপন কৰে। ডাঃ পূনম ৰামান আৰু দলটোৱে কামৰূপ জিলাৰ সক্ৰিয় পদক্ষেপ আৰু সহযোগিতামূলক দৃষ্টিভংগীক প্ৰশংসা কৰি উল্লেখ কৰে যে এনে পদক্ষেপসমূহ আন ৰাজ্যত বাবে আদৰ্শ হিচাপে কাম কৰিব পাৰে বুলি উল্লেখ কৰাৰ উপৰিও জিলাখনত বাল্য বিবাহ ৰোধৰ কৰাৰ ওপৰত ও পৰামৰ্শ প্ৰদান কৰে।

# সংস্কৃতিবান ব্যক্তি লীলাৰাম বৰাৰ মৃত্যুত শোক

**অসম বাৰ্তা, উজনী মাজুলী, ২৯ অক্টোবৰ ঃ** মধ্য মাজুলী কমলাবাৰী গাঁও পঞ্চায়ত অন্তৰ্গত আদি বিহিমপুৰ সত্ৰ ৰাজগুৰুবাৰী নিবাসী ধৰ্মপ্ৰানব্যক্তি লীলাৰাম বৰা(বগাই)ৰ আজি সন্ধিয়া৫: ৪৫ বজাত বাৰ্ধক্যজনীত কাৰণত মৃত্যু হয়। ৯৪ বছৰীয়া ব্যক্তিগৰাকী যোৱা কেইদিনমান ধৰি অসুস্থ হৈ থকা অৱস্থাত নিজাবাস ভৱনতে মৃত্যুক আকোৱালী লয়। সত্ৰখনিৰ নামলগোৱা পাঠক আদিৰ লগতে সামাজিক সাংস্কৃতিক কামসমূহত আগ ভাগ লোৱা ব্যক্তি গৰাকীৰ মৃত্যুত অঞ্চলটিত শোকৰ চাপৰিছে। লীলাৰাম বৰাৰ মৃত্যুত ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামী আদি বিহিমপুৰ সত্ৰৰ অধিকাৰ চিদানন্দ মহন্ত, সত্ৰীয়া অতুল মহন্ত আদিবিহিমপুৰ সত্ৰৰ পৰিচালনা সমিতি মধ্য মাজুলী শিল্পী সমাজ আদি অনুষ্ঠান প্ৰতিষ্ঠানৰ তৰফৰ পৰা শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালৰ বৰ্গলৈ সমবেদনাজ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত পত্নীসহ তিনিজন পূত্ৰ আৰু চাৰিগৰাকী কন্যাৰ বিশাল সংসাৰ এৰি থৈ যায়।

# ভেৰগাঁও মহাবিদ্যালয়ত নিযুত মইনা আঁচনিৰ চেক বিতৰণ

**অসম বাৰ্তা, খৈৰাবাৰী, ২৯ অক্টোবৰ ঃ** ৰাজ্যৰ ভিন্ন শিক্ষানুষ্ঠানৰ লগতে আজি ওদালগুৰি জিলাৰ ভেৰগাঁও মহাবিদ্যালয়তো নিযুত মইনা ২.০ আঁচনিৰ চেক সমূহ বিতৰণ কৰে। শিক্ষানুষ্ঠানখনত আয়োজিত অনুষ্ঠানত ৰাজ্য চৰকাৰৰ উচ্চ আৰু বিদ্যালয় বিভাগৰ জৰিয়তে ৰূপায়ণ কৰা এই ধ্বজাবাহী আঁচনিৰ অধীনত মহাবিদ্যালয়খনৰ মুঠ ১৮৬ গৰাকী কন্যা শিক্ষাৰ্থীক চেক সমূহ প্ৰদান কৰে অনুষ্ঠানৰ মুখ্য অতিথি স্থানীয় প্ৰতিষ্ঠিত উদ্যোগী তথা সমাজকৰ্মী প্ৰসন্ন ৰাভা, আমন্ত্ৰিত অতিথি ভেৰগাঁও মহকুমাৰ সহকাৰী আয়ুক্ত অংশুমান হাজৰিকা, খৈৰাবাৰী খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ভূমিধৰ বড়ো, ভেৰগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ পদ্মেশ্বৰ বড়ো, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক চমল দৈমাৰী, সদস্য গণেশ ডেকাৰ লগতে মহাবিদ্যালয়ৰ প্ৰবক্তাবৃন্দই। ভেৰগাঁও মহাবিদ্যালয়ৰ প্ৰবক্তা মুকুল দাসে আঁতধৰা আৰু অধ্যক্ষ পদ্মেশ্বৰ বড়োৱে সঞ্চালনা কৰা চেক বিতৰণী অনুষ্ঠানত মুখ্য অতিথি প্ৰসন্ন ৰাভাই ভাষণ দি ৰাজ্য চৰকাৰে নিযুত মইনা আঁচনিৰ জৰিয়তে উচ্চ শিক্ষা গ্ৰহণত ছাত্ৰী সকলক কিছু আৰ্থিক সকাহ দিয়া পদক্ষেপক প্ৰশংসা কৰে। শিক্ষা আহৰণৰ ক্ষেত্ৰত পোৱা প্ৰত্যাহ্বান নেওচি আত্মপ্ৰতিষ্ঠা লাভৰ লগতে মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই অনাৰ বাবে অহোপুৰুষাৰ্থ কৰিবলৈ তেওঁ শিক্ষাৰ্থী সকলক আহ্বান জনায়। প্ৰসাশনিক বিষয়া অংশুমান হাজৰিকাই চৰকাৰে প্ৰদান কৰা নিযুত মইনা আঁচনিৰ ধনৰ সদ্ব্যৱহাৰ কৰিবলৈ ছাত্ৰী সকলক আহ্বান জনাই অভিলাষী আঁচনিখনৰ স্ত্ৰী শিক্ষাৰ প্ৰসাৰণৰ ঈপ্সিত লক্ষ্য পূৰণৰ বাবে সকলো পক্ষৰ সহযোগিতা কামনা কৰে। ইপিনে ভেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়তো নিযুত মইনা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। শিক্ষানুষ্ঠানখনৰ ৬৮ গৰাকী কন্যা শিক্ষাৰ্থীক চেক প্ৰদান কৰে মুখ্য অতিথি ভেৰগাঁও মহাবিদ্যালয়ৰ প্ৰবক্তা দৈমু বসুমতাৰী আৰু বি টি চিৰ ভেৰগাঁও সমষ্টিৰ পাৰিষদ দাউবাইছা বড়োৱে।

## শৈক্ষিক পৰিৱেশ ধ্বংস হোৱাৰ অভিযোগ

# লেংটিছিঙাৰ ৰাজীৱ গান্ধী কলেজৰ অধ্যক্ষ বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ২৯ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান এখনৰ মুৰব্বীয়ে ৰাজনৈতিক দলৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী হʼবলৈ গৈ ছাত্ৰ-ছাত্ৰীৰ ভবিষ্যত অনিশ্চয়তাৰ মাজলৈ ঠেলি দিয়াৰ অভিযোগ তুলি সৰব হৈ পৰিছে স্থানীয় লোক। এই সন্দৰ্ভত সংবাদমেলৰো আয়োজন কৰে ক্ষুব্ধ লোকসকলে। প্ৰাক্তন পঞ্চায়ত সভাপতি শংকৰ সৰকাৰ আদিৰ উপস্থিতিত অঞ্চলটোৰ সচেতন লোক তথা জলসম্পদ বিভাগৰ কৰ্মচাৰী জয়নাল আবেদিনে সংবাদমেলত লেংটিচিঙাৰ ৰাজীৱ গান্ধী মেমোৰিয়েল কলেজৰ অধ্যক্ষ ড° জহুৰুল ইছলামৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি কয় যে অধ্যক্ষ গৰাকীৰ বাবে আজি কলেজখন থকাৰ পিছতো নথকাৰ দৰে হৈছে। কলেজৰ ভিতৰচʼৰাত ৰাজনীতি সোমাই পৰাত কলেজখনৰ শৈক্ষিক পৰিৱেশ সম্পূৰ্ণৰূপে ধ্বংস হৈছে। কাৰণ কলেজৰ অধ্যক্ষ ডঃইছলামে আগন্তুক বিধান সভা নিৰ্বাচনৰ বাবে কংগ্ৰেছৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী হৈছে। এনে অৱস্থাত অধ্যক্ষ গৰাকীয়ে শিক্ষানুষ্ঠানৰ দায়িত্বক আওকান কৰি বিভিন্ন ঠাইলৈ গৈ তেওঁ প্ৰাৰ্থিত্বৰ দাবীদাৰ বুলি প্ৰচাৰ কৰি আহিছে বুলিও সংবাদমেলত অভিযোগ কৰে জয়নাল আবেদিনে। তদুপৰি সংবাদমেলত উল্লেখ কৰা মতে কিছুদিন আগতে জনৈক লিয়াকট আলী নামৰ অধিবক্তা এগৰাকীয়ে সংবাদমেলৰ আয়োজন কৰিছিল। তাত উপস্থিত আছিল উক্ত কলেজখনৰে অধ্যাপক দেৱান ছাদুল্লা আহমেদ। আৰু তাতেই ডঃজহুৰুল ইছলামৰ প্ৰাৰ্থিত্বৰ কথা ঘোষণা কৰে। জয়নাল আবেদিনে কয় যে ডঃজহুৰুল ইছলামে কোন দলৰ পৰা প্ৰাৰ্থিত্ব বিচাৰে তাত একো কʼবলগীয়া নাই যদিও ছাত্ৰ-ছাত্ৰীৰ ভৱিশ্যতৰ কথা চিন্তা কৰি তাৰ আগতে অধ্যক্ষৰ পদৰ পৰা আঁতৰি আহিবলৈ আহবান জনায়। ইপিনে প্ৰাক্তন মন্ত্ৰী প্ৰয়াত চন্দন কুমাৰ সৰকাৰৰ নেতৃত্বত ৰাইজে বহু কষ্ট কৰি কলেজখন প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। তাৰ আগতে লেংটিছিঙা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে অভয়াপুৰী কলেজলৈ অধ্যয়নৰ বাবে গৈছিল। আৰু তাতেই উক্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে অত্যাচাৰৰ সন্মুখীন হʼবলগীয়া হৈছিল আৰু মাৰপিটো খাবলগীয়া হৈছিল বুলি সংবাদ মেলত জলসম্পদ বিভাগৰ কৰ্মচাৰী জয়নাল আবেদিনে কৰা বিতৰ্কিত মন্তব্যই প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে অভয়াপুৰী অঞ্চলত।

## ঘৰত কোনো নথকাৰ সুযোগত অকলশৰীয়া মহিলাৰ ঘৰত লুটপাট

# চেলেংহাটত চুৰিকাণ্ড

**অসম বাৰ্তা, আমগুৰি, ২৯ অক্টোবৰ ঃ** যোৰহাট জিলাৰ চেলেংহাট আৰক্ষী চকীৰ অন্তৰ্গত চেলেংহাটৰ কঠালবাৰী গাঁৱত যোৱা নিশা এক চুৰিকাণ্ড সংঘটিত হয়। জানিব পৰামতে গাওঁখনৰ চন্দ্ৰমা গগৈ নামৰ অকলশৰীয়া মহিলা গৰাকীৰ ঘৰত যোৱা নিশা কোনো নথকাৰ সুযোগ লৈ চোৰে লুটপাট চলাই। উল্লেখযোগ্য যে, স্বামীহীনা মহিলা গৰাকীয়ে দুগৰাকী কন্যাক বিয়া দিয়া পাছত স্বগৃহত অকলশৰে বাস কৰিছিল। মহিলা গৰাকী যোৱা নিশা চেলেংহাট অঞ্চলৰে কুকুৰাচোৱা গাঁৱৰ সম্বন্ধীয় এঘৰত সকাম খাবলৈ গৈছিল। ইয়াৰ সুযোগ লৈ দুৰ্বৃত্তই মহিলা গৰাকীৰ ঘৰত লুট পাট কৰি আনুমানিক নগদ সাত হাজাৰ টকা লৈ যায়। জানিব পৰামতে ঘৰৰ পাছফালৰ খিৰিকিৰ ৰড ভাঙি চুৰে ঘৰত প্ৰৱেশ কৰে। ইতিমধ্যে চেলেংহাট আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

## পালন কৰিব জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্ম জয়ন্ত

# হাজোৰ বামুণ্দীত ৰাইজৰ অনুদানেৰে নিৰ্মাণ হʼব জুবিন গাৰ্গ দেৱৰ প্ৰতিমূৰ্তী

**অসম বাৰ্তা, হাজো, ২৯ অক্টোবৰ ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বামুণ্দীত ৰাইজৰ অনুদানেৰে প্ৰতিষ্ঠা কৰা হʼব প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিমুৰ্ত্তি। বামুণ্দী তৰুণ সংঘ আৰু পুথিভঁৰাল প্ৰেক্ষাগৃহত গাৱঁখনৰ জুবিন অনুৰাগী পংকজ কলিতা, পাপু শালৈ আৰু মানৱ ঠাকুৰীয়াৰ আহ্বানত এখনি ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। সভাৰ আৰম্ভণিতে প্ৰাণৰ শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজকৰ্মী গুৰু প্ৰসাদ শৰ্মাই। ইয়াৰ পিছতেই সভাত উপস্থিত থকা সকলোৱেই জুবিন গাৰ্গ দেৱৰ প্ৰতিচ্ছৱিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শিল্পীগৰাকীক স্মৃতিচাৰন কৰে। সমাজকৰ্মী অৰুণ দাস দেৱৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাখনত যুৱ সমাজকৰ্মী পংকজ কলিতাই সভাৰ উদ্দেশ্য ব্যখা কৰি কয় যে - জুবিন গাৰ্গ দেৱৰ মৃত্যুত অসমৰ প্ৰতিটো পৰিয়ালে এজন সদস্য হেৰুৱাইছে। গতিকে জুবিন গাৰ্গ দেৱক আমাৰ মাজতে সকলোৱেই জীয়াই ৰাখিব লাগিব। প্ৰায় দুশৰো অধিক লোকে অংশগ্ৰহণ কৰা ৰাজহুৱা সভাখনত অহা ১৮ নৱেম্বৰ তাৰিখে জুবিন গাৰ্গ দেৱৰ ৫৩ সংখ্যক জন্ম জয়ন্তী পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে সংগীতৰ ভগৱান গৰাকীক বামুণ্দীত ৰাইজৰ মাজত জীয়াই ৰাখিবলৈ ৰাইজৰ অনুদান আৰু বামুণ্দীৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সহযোগত বামুণ্দীত এটি জুবিন গাৰ্গ দেৱৰ এটি প্ৰতিমূৰ্তি নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই উদ্দেশ্যে সমূহ ৰাইজক সহায় সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাই আহ্বায়ক সমিতিয়ে।

# ১৩ ডিচেম্বৰত তিনিচুকীয়াত ৰাষ্ট্ৰীয় লোক আদালত

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ২৯ অক্টোবৰ ঃ** ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত সমগ্ৰ দেশতে অনুষ্ঠিত হʼবলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ অংশস্বৰূপে তিনিচুকীয়া জিলা ন্যায়িক আদালতৰ লগতে শদিয়া আৰু মাৰ্ঘেৰিটা মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালত প্ৰাংগণতো অহা ১৩ ডিচেম্বৰ, ২০২৫ তাৰিখে পুৱা ১০ বজাৰ পৰা তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণে ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত কৰিব। প্ৰাক লোক আদালতৰ দিন ১২ ডিচেম্বৰ তাৰিখলৈকে ধাৰ্য কৰা হৈছে। উক্ত লোক আদালতত উপস্থাপন হʼবলগীয়া গোচৰৰ পক্ষসমূহক উল্লিখিত তাৰিখ, সময় আৰু নিৰ্দিষ্ট স্থানত উপস্থিত থাকিবলৈ ইতিমধ্যে জাননী প্ৰেৰণ কৰা হৈছে বুলি জানিবলৈ দিয়াৰ লগতে অধিক তথ্যৰ বাবে তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণৰ কাৰ্যালয়ত ই-মেইল যোগে (dlsatinsukia@gmail.com) অথবা ফোনযোগে (৬৯০১২-৮১৬৪৭) যোগাযোগ কৰিব পাৰিব বুলি তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণ সচিবে জনাইছে।

## মৃতদেহ লৈ পথ অবৰোধ

# ড° ভূপেন হাজৰিকা সেতু সংযোগী পথত অচিনাক্ত বাহনৰ খুন্দাত এজন নিহত

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৯ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ ধলা আৰক্ষী থানাৰ অন্তৰ্গত ডঃ ভূপেন হাজৰিকা সেতু সংযোগী পথত আজি বিয়লি সংঘটিত এটি পথ দুৰ্ঘটনাতএজন লোকৰ মৃত্যু ঘটাক কেন্দ্ৰ কৰি উত্তেজনাই বিৰাজ কৰিছে। ঘটনাৰ বিবৰণী মতে বোকাপথাৰ গাঁৱৰ সুখলাল কণ্টা (৬৫) নামৰ লোকজন সন্ধিয়া কামৰ পৰা উভতি অহাৰ পথত এখন অচিনাক্ত বাহনে খুন্দিয়াই নিহত কৰে। ঘটনা সংঘটিত কৰি বাহনখন শদিয়াৰ দিশলৈ পলায়ন কৰা বুলি প্ৰত্যক্ষদৰ্শীৰপৰা জানিব পৰা গৈছে। ঘটনাৰ পাছতে অঞ্চলটোৰ ৰাইজে মৃতদেহ পথৰ ওপৰত থৈ ১১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি ৰাখে। ফলত পথটোত বহু সংখ্যক যান-বাহন আৱদ্ধ হৈ পৰিছে। ৰাইজে দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখন আৰু চালকক আটক কৰি মৃতকৰ পৰিয়ালটোক ন্যায় প্ৰদানৰ দাবী জনাইছে। বাতৰি লিখাৰ পৰলৈকে পথ অবৰোধ অব্যাহত আছে।

# সুমিত ৰাভাৰ হিতাধিকাৰীক অনুদান বিতৰণ

**অসম বাৰ্তা, বকো, ২৯ অক্টোবৰ ঃ** ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ অৰ্থ সাহায্যত ২০২৩/২৪ বিত্তীয় বৰ্ষৰ জৰিয়তে কামৰূপ জিলাৰ বকোত হিতাধিকাৰীৰ মাজত অনুদান বিতৰণ কৰা হয়। ৰাভা হাছং পৰিষদৰ ২৭ নং বকো পৰিষদীয় সমষ্টিৰ কাৰ্য্যবাহী সদস্য সুমিত ৰাভাৰ জৰিয়তে পৰিষদীয় এলেকাৰ জনসাধাৰণক অত্যাৱশ্যকীয় সা সামগ্ৰী প্ৰদান কৰে। পৰিষদৰ সমষ্টি পৰিচালনা সমিতিৰ সম্পাদক অমৰেন্দ্ৰ অধিকাৰীয়ে জনোৱা অনুসৰি বহু হিতাধিকাৰীৰ মাজত খেতিয়কৰ বাবে পানী তোলা মেচিন, ছাত্ৰ-ছাত্ৰীৰ বাবে চাইকেল, কৃষকৰ বাবে স্প্ৰে মেচিন, ব্যক্তিগত আৰু ৰাজহুৱা গৃহৰ বাবে টিনপাত, খেলুৱৈৰ বাবে ফুটবল আৰু অন্যান্য সা সামগ্ৰী বিতৰণ কৰা হয়। কৃষক সমাজে অনুদান লাভ কৰি সন্তোষ প্ৰকাশ কৰে বুলি জানিব দিয়ে পৰিষদীয় সমষ্টি পৰিচালনা সমিতিয়ে।

